## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Bāṅhī | |
| Translated Title: | |
| Place of Publication: Kalkatā (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: Magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৭/১০ চৈত্ৰ ১৮৫৩ দশম সংখ্যা

# সূচী


| বিষয় | পিঠি |
| --- | --- |
| শ্ৰী শ্ৰী শঙ্কৰদেৱ | ৫০৫ |
| সম্পাদকৰ চ'ৰা | ৫০৬ |
| মহাপুৰুষ | ৫১৩ |
| বুৰঞ্জী-মাহাত্ম্য | ৫১৪ |
| সুন্দৰ | ৫২৫ |
| ভক্ত তুলসীদাস | ৫২৫ |
| বিৰহিনী | ৫২৮ |
| ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহা | ৫২৯ |
| তুমি | ৫৩৩ |
| খামতী | ৫৩৪ |
| উন্নতিৰ উপায় | ৫৪৫ |
| শ্ৰী শ্ৰী হৰিদেৱৰ জীৱনী | ৫৪৯ |

# শ্রীশ্রীশঙ্কৰদেৱ।

পুণ্যময় জীৱনৰ পবিত্র কাহিনী
অতৃপ্ত পৰাণে শুনে কত যুগ ধৰি।
তথাপি নতুন সেই অতীত ৰাগিণী
তোলায় প্ৰাণত পুনু আনন্দ লহৰী।
সৰগ জেউতি আনি মৰত মাজত,
মুক্তিৰ মুকলি বাট দিলা দেখুৱাই;
শান্তিৰ কৰুণা কণা লভি জীৱনত,
হেলাৰঙে হাঁহিমুখে সবে আগুৱায়।
চৌদিশে পৰিছে তাৰ বিমল কিৰণ,
ৰাখিলা অতুল কীৰ্ত্তি যাউতি-যুগীয়া।
তযু চৰণত দেৱ শত নমস্কাৰ,
অসমত জন্ম দেৱ তুমি অসমীয়া।
ভক্তিৰে ওপচে হিয়া ধীৰ যোগীবৰ,
অসীম সাধনা তব পৰিলে মনত।
নিমাত নীৰৱ হৈ চাওঁ একেথিৰে,
তোমাৰ তুলনা মাথোঁ তুমি জগতত।

"বন্ধু"।

---

# সম্পাদকৰ চৰা।

জ্ঞান পবিত্ৰ বস্তু। ঈশ্বৰ লাভ কৰিবৰ নিমিত্তে জ্ঞান প্ৰকৃষ্টপথ। গীতাত কৈছে—

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।
তৎ স্বয়ং যোগসংসিদ্ধঃ কালেনাত্মনি বিন্দতি॥"

অৰ্থাৎ ইহলোকত জ্ঞানৰ নিচিনা পবিত্ৰ বস্তু আৰু নাই। যোগসিদ্ধ পুৰুষে কালক্ৰমত সেই জ্ঞান আপোনাতে লাভ কৰে। সেইদেখি জ্ঞান বিচাৰি জগতত বুৰি ফুৰিলে কৃতকাৰ্য্য হোৱা নাযায়। এজনে সেইনিমিত্তে গাইছে—

"জ্ঞান জ্ঞান কৰি ফুৰি, গোৱাঁলোঁ জীৱন ঘূৰি ঘূৰি,
জ্ঞানৰ নাপালোঁ উৰাদিহ, গোটালোঁ খোলাকুটি।"

জ্ঞান মানে আত্মজ্ঞান, জীৱাত্মা আৰু পৰমাত্মাৰ জ্ঞান। তোমাৰ অন্তৰত থকা আত্মা, যি পৰমাত্মাৰে এক অংশ তেওঁক জানিব পাৰিলে, পৰমাত্মাত অৰ্থাৎ ক্ৰমাৎ ঈশ্বৰত স্থিৰ বুদ্ধি লাভ কৰিব পাৰিবা, তেনেহলেই তোমাৰ কাৰ্য্যসিদ্ধি। যি ঈশ্বৰত স্থিৰ বুদ্ধি লাভ কৰিছে, তেওঁক স্থিতপ্ৰজ্ঞ বোলে। এনে জ্ঞানীয়েই গীতাত কোৱা আদৰ্শ জ্ঞানী। যি

"প্ৰজহাতি যদা কামান্ সৰ্ব্বান্ পাৰ্থ মনোগতান্।
আত্মন্যেবাত্মনা তুষ্টঃ স্থিতপ্ৰজ্ঞ স উচ্যতে॥
যঃ সৰ্ব্বত্ৰানভিস্নেহ স্তত্তৎ প্ৰাপ্য শুভাশুভং।
নাভি নিন্দতি ন দ্বেষ্টি তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা॥"

অৰ্থাৎ যি সকলো কামনা সকলো মনোৰথ পৰিত্যাগ কৰি আপোনাতে আপুনি তুষ্ট; যি সুখত স্পৃহাশূন্য, দুখত অনুদ্বিগ্নমনা, যি সৰ্ব্বস্নেহশূন্য, যি লোকৰপৰা শুভ অশুভ পাইও আনন্দ নকৰে বা কাকো নিন্দা নকৰে, যি নিষ্কাম জিতেন্দ্ৰিয়পুৰুষ তেওঁৱেই স্থিতপ্ৰজ্ঞ অৰ্থাৎ স্থিৰবুদ্ধিৰ লোক, অৰ্থাৎ তেৱেঁই প্ৰকৃত জ্ঞানী। এই জ্ঞানীৰে সৈতে সংসাৰৰ সম্বন্ধ কেনে? গীতাত কৈছে—

"যদা সংহৰতে চায়ং কূৰ্ম্মোহঙ্গানীৰ সৰ্ব্বশঃ
ইন্দ্ৰিয়ানীন্দ্ৰিয়াৰ্থেভ্য স্তস্য প্ৰজ্ঞা প্ৰতিষ্ঠিতা॥"



কাছই যেনেকৈ তাৰ হাত ভৰি আদি অঙ্গ সংহৰণ কৰি ৰাখে, আৰু আৱশ্যকমতে জীৱনৰ কাৰ্য্য নিৰ্ব্বাহ কৰে, ইন্দ্ৰিয়াদি সম্বন্ধেও সেইদৰে সংযম অভ্যাস কৰি জীৱনৰ কৰ্ত্তব্যকৰ্ম্মবোৰ জ্ঞানীয়ে সম্পাদন কৰে। অৰ্থাৎ ইন্দ্ৰিয়সংযম আৰু ঈশ্বৰত চিত্তাৰ্পণ কৰি নিষ্কামভাৱে কৰ্ম্মানুষ্ঠান কৰা লোকক স্থিৰপ্ৰজ্ঞ জ্ঞানী বোলে। ভগৱানে কৈছে,—যি এইদৰে স্থিৰপ্ৰজ্ঞ হৈ ব্ৰহ্মনিষ্ঠা লাভ কৰিছে তেওঁ কেতিয়াও মোহত মুগ্ধ নহয়; আৰু তেওঁ অন্ত কালত ব্ৰহ্মনিৰ্ব্বান প্ৰাপ্ত হয়।

• • •

দেহাভিমানীৰ পক্ষে, এইদৰে স্থিৰপ্ৰজ্ঞ হৈ ঈশ্বৰত চিত্ত সমাধান কৰা যদিও বৰ টান কাম, তথাপি অভ্যাস যোগৰ দ্বাৰাই তাত সিদ্ধিলাভ কৰিব পাৰি। অভ্যাস কৰোঁতে কৰোঁতে এনে এটা অতি টান কামও কালত উজু হৈ পৰে। সি যি হওক, এইটো ঠিক যে এশজনৰ ভিতৰত ৯৯ জন লোকৰপক্ষে ঈশ্বৰলাভৰ নিমিত্তে ওপৰত কোৱা স্থিৰপ্ৰজ্ঞ ব্ৰহ্মনিৰ্ব্বানাকাঙ্ক্ষী জ্ঞানীৰ পথ যে অতি দুৰ্গম তাত সন্দেহ নাই। সেইদেখি অভ্যাসযোগৰ আশ্ৰয় লৈও সেই পথৰ পথিক হব নোৱৰা লোকক ভগৱানে উপদেশ দিছে—

"অভ্যাসেঽপ্যসমৰ্থোঽসি মৎকৰ্ম্মপৰমো ভব।
মদৰ্থমপি কৰ্ম্মাণি কুৰ্ব্বন সিদ্ধিমবাপ্স্যসি॥"

অৰ্থাৎ অভ্যাসযোগও যদি কৰিব নোৱাৰা, তেন্তে মোৰ প্ৰীতিৰ নিমিত্তে মঙ্গলকাৰ্য্যবোৰ কৰি যাবা, আৰু "সৰ্ব্বকৰ্ম্মফলত্যাগং ততঃ কুৰু যতাত্মবান॥" কৰ্ম্মফল পৰিত্যাগ কৰি সংযতচিত্ত হৈ মোৰ শৰণাপন্ন হোৱাঁ, তেনেহলেও এই ভৱসংসাৰ তৰি মোৰ পৰমপদ লাভ কৰিবা।

"যে তু সৰ্ব্বাণি কৰ্ম্মাণি ময়ি সংন্যস্য মৎপৰাঃ।
অনন্যেৱৈ যোগেন মাং ধ্যায়ন্ত উপাসতে॥
তেষামহং সমুদ্ধৰ্ত্তা মৃত্যু সংসাৰ সাগৰাৎ।
ভবামি ন চিৰাৎপাৰ্থ ময্যাবেশিতচেতসাম॥"

অৰ্থাৎ যিসকলে মোত একান্ত শৰণ লৈ সকলো কৰ্ম্ম আৰু তাৰ ফল মোত সমৰ্পণ কৰি, অনন্যমনা হৈ মোৰ ধ্যান আৰু উপাসনা কৰে মই

তেওঁলোকক অচিৰতে এই মৃত্যুময় সংসাৰ-সাগৰৰপৰা উদ্ধাৰ কৰোঁ। আৰু এযাৰি কথাৰে ভগবানে এইখিনিতে জ্ঞানযোগ আৰু অভ্যাসযোগতকৈও যে, ঈশ্বৰৰ প্ৰীতিৰ অৰ্থে কৰ্ম্মফল ত্যাগ কৰি সকলো কৰ্ম্ম ঈশ্বৰত সমৰ্পণ কৰি কৰা কাৰ্য্য, অৰ্থাৎ যাক আচলতে ভক্তিযোগ বোলে, শ্ৰেষ্ঠ তাক কৈছে,—

"শ্ৰেয়োহি জ্ঞানমভ্যাসাজ্‌জ্ঞানাদ্ধ্যানং বিশিষ্যতে।
ধ্যানাৎ কৰ্ম্মফলত্যাগস্ত্যাগাচ্ছান্তিৰনন্তৰম্‌॥"

অৰ্থাৎ অভ্যাসতকৈ জ্ঞান শ্ৰেষ্ঠ, জ্ঞানতকৈ ধ্যান শ্ৰেষ্ঠ, ধ্যানতকৈ কৰ্ম্মফলত্যাগ শ্ৰেষ্ঠ, ত্যাগৰপৰা নিৰন্তৰ শান্তি লাভ। ঈশ্বৰৰ আদিষ্ট সকলো মঙ্গলময় কাৰ্য্য কৰ্ত্তব্য বোধেৰে কৰি, তাৰ ফলাফলেৰে সৈতে সমুদায় কৰ্ম্ম ঈশ্বৰৰ চৰণত সমৰ্পণ কৰি যি সংসাৰযাত্ৰা নিৰ্ব্বাহ কৰে, যি সুখত আনন্দিত নহয়, দুখত ভঁয় নপৰে, শোক, দ্বেষ, আৰু আকাঙ্ক্ষা নকৰে, শুভ অশুভ সকলো ইচ্ছাময়ৰ ইচ্ছাত হৈছে, তেওঁ তাৰ বিষয়ে একো নাজানে, সেইদেখি তাৰ ওপৰত তেওঁৰ মতামত প্ৰকাশ কৰি হৰ্ষবিষাদত বা আনন্দত অভিভূত হবৰ তেওঁৰ কোনো অধিকাৰ নাই, ইয়াকে ভাবি ঈশ্বৰত ভক্তিমান হয়, তেৱেঁই ঈশ্বৰৰ প্ৰিয়। এনে ভক্তই কয়,—

"সুখে ৰাখ, দুখে ৰাখ,
যে বিধান হয়, কিছুতেই নাহি ভয়,
জানি তুমি মঙ্গলময়॥"

সেইদেখি ভগবানে কৈছে—

"শুভাশুভ পৰিত্যাগী ভক্তিমান যঃ সমেপ্ৰিয়ঃ।"

পৰমেশ্বৰত চিত্তসমাধান, আৰু তেওঁৰ সুপ্ৰীতি কামনা কৰি কৰ্ম্মানুষ্ঠান, এই দুটি বিধানেই সংসাৰ-সাগৰ তৰিবৰ উপায়। ঈশ্বৰত ভালকৈ চিত্ত সমাধান কৰিব নোৱাৰা নাই, অন্ততঃ তেওঁৰ আদেশ অনুসাৰে নিজৰ কৰ্ত্তব্য সাধন কৰি সৰ্ব্বলোকৰ হিতসাধনত নিযুক্ত হোৱাঁ, তথাপি তোমাৰ উদ্ধাৰ হব। স্বাৰ্থপৰতা ঈশ্বৰৰ আদেশৰ বিৰুদ্ধকাম; এই নিমিত্তে ত্যাগ অৰ্থাৎ স্বাৰ্থত্যাগ কৰি ঈশ্বৰৰ আদিষ্ট কৰ্ম্ম নিষ্কাম ভাবে কৰি যোৱাঁ। এই ভাবে কৰ্ম্ম ঈশ্বৰৰ প্ৰকৃত ভক্তই কৰে। ত্যাগেই কৰ্ম্মৰ প্ৰধান অঙ্গ। সেইদেখি নিষ্কাম ত্যাগাত্মক কৰ্ম্মক জ্ঞান ধ্যানতকৈও শ্ৰেষ্ঠ বুলিছে; কাৰণ এই কৰ্ম্ম ভক্তৰ



কৰ্ম্ম, যি কৰ্ম্ম পৃথিবীৰ সকলো জীৱৰ মঙ্গলদায়ক আৰু সেই নিমিত্তেই সি ঈশ্বৰৰ সুপ্ৰীতিজনক। যাক নিকৰ্ম্মা বোলা হয়, ভক্ত তেনে নিকৰ্ম্মা নহয়। ভক্ত কৰ্ম্মীপুৰুষ। কিন্তু তেওঁৰ কৰ্ম্মৰ স্বভাৱ আৰু সংসাৰী বিষয়ীৰ কৰ্ম্মৰ স্বভাৱৰ ভিতৰত প্ৰভেদ অনেক। ভক্তৰ কৰ্ম্ম নিষ্কাম। সেই কৰ্ম্মক ভক্তই ঈশ্বৰাদিষ্ট ভাবি কৰ্ত্তব্য বোধেৰে কৰে; ভক্তৰ আচল উদ্দেশ্য ঈশ্বৰৰ আজ্ঞাপালন, আৰু প্ৰীতিসাধন। ভক্তৰ কৰ্ম্ম, নিঃস্বাৰ্থ ভৃত্যৰ কৰ্ম্ম; প্ৰভুৰ আজ্ঞাপালন ভৃত্যৰ কৰ্ত্তব্য; কাৰণ ভক্তৰ দৃঢ় বিশ্বাস, দৃঢ়জ্ঞান, সুদৃঢ় ধাৰণা, যে প্ৰভুৰ ইচ্ছাই নিঃসন্দেহে নিৰ্ব্বিবাদে মঙ্গল ইচ্ছা। তেওঁ ভালকৈ জানে, এইজন প্ৰভুৱেই চৰাচৰ বিশ্বজগতৰ প্ৰভু, নিৰ্ব্বিকাৰ, আনন্দময় আৰু প্ৰেমময়। জগৎ ঈশ্বৰৰ সৃষ্টি। সকলোকে ঈশ্বৰে পালন পোষণ কৰিছে। এনে জগতৰ হিতজনক কাৰ্য্যই ঈশ্বৰৰ অভিপ্ৰেত আৰু ভক্তৰ কৰ্ত্তব্য, এই কথা প্ৰকৃত ভক্তই পাহৰিব নোৱাৰে; পাহৰিলে তেওঁ কৰ্ত্তব্যপালনকাৰী (dutiful) ভক্তৰ ওখ শাৰীত কেতিয়াও থান নেপায়। ভক্তই ভাগ্যৱানক নিজৰ হৃদয়তে দেখে, হৃদয়তে অনুভৱ কৰে, আৰু তাতে তেওঁৰ বাণী শুনে। লোকৰ কষ্ট দেখি তেওঁ যেতিয়া ব্যথিত হয় তেতিয়া তেওঁ বুজে যে লোকক কষ্ট দিয়া, বা নিজক কষ্ট দিয়া কাৰ্য্য ঈশ্বৰৰ অভিপ্ৰেত নহয়। দুখীয়াৰ দুখ মোচনৰ ইচ্ছা স্বভাৱতে তেওঁৰ মনত ওপজে; তেওঁ বুজে যে সেই কাৰ্য্য ঈশ্বৰৰ অভিপ্ৰেত। ইন্দ্ৰিয়ৰ প্ৰবৃত্তিবোৰৰ প্ৰৰোচনাত স্বভাৱতে উদ্দীপিত হোৱা বা কৰিবৰ মন যোৱা অনেক কাৰ্য্য আছে, সেইবোৰ ঈশ্বৰৰ অভিপ্ৰেত নহয় বুলি ভক্তই বুজে, কাৰণ সেইবিলাকৰ পৰিণাম বিষময়, আৰু সেই বোৰৰপৰা হোৱা সম্ভসুখ ক্ষণস্থায়ী। জীৱক কষ্ট দি নিজৰ সুখৰ অৰ্থে কৰা কাৰ্য্য সেইদেখি ঈশ্বৰৰ অভিপ্ৰেত নহয় বুলি প্ৰকৃত ভক্তই জানে। প্ৰকৃত ভক্ত সেইদেখি সাত্ত্বিক প্ৰকৃতিৰ• নহৈ নোৱাৰে। তেওঁ ঈশ্বৰৰ সৃষ্টিত দয়া কৰুণা প্ৰেম আৰু মঙ্গল ইয়াকে হে দেখি ফুৰে। অমঙ্গল, হিংসা, দ্বেষৰ প্ৰভাৱ যদিও তেওঁ পৃথিৱীত অলেখ দেখে, প্ৰকৃতপক্ষে সেইবোৰৰ আন্ধাৰ, মঙ্গল কৰুণা আৰু প্ৰেমৰ জ্যোতিৰ উজ্জ্বলতাৰ নিমিত্তে হে সৃষ্ট বুলি তেওঁৰ বিশ্বাস; সেইদেখি তাৰ পৰাভৱ, আৰু মঙ্গল আৰু প্ৰেমৰ জয়ৰ নিমিত্তে তেওঁ সচেষ্ট, সদায় কৰ্ম্মশীল; কাৰণ তেওঁৰ আয়াই

অন্তৰত থাকি সেইটোৱেই ঈশ্বৰৰ বাণী বুলি তেওঁক কৈ দিছে। হে অবিশ্বাসী, হে সন্দেহবাদী, তোমাকো যে তোমাৰ অন্তৰাত্মাই ঈশ্বৰৰ বাণী নাই কৈ দিয়া এনে নহয়, দি আছে; কিন্তু তুমি তোমাৰ মিঠামুখীয়া শক্ৰৰ প্ৰৰোচনাত পৰি তালৈ আওকাণ কৰি আছা; তালকৈ কাণ পাতা, সেই বাণী শুনিবা, নিশ্চয় শুনিবা। তোমাৰ অন্তৰৰ দাপোণ যত পৰমাত্মাৰ প্ৰতিবিম্ব পৰে, তাক পাপ-ধূলিৰে কলা কৰি থৈছা, সেইদেখি তুমি সেই বিমল প্ৰতিবিম্ব দেখিবলৈ নাই পোৱা। ভগবান শ্ৰীকৃষ্ণই কৈছে—

"বহুনাং জন্মনামন্তে জ্ঞানবান্ মাং প্ৰপদ্যতে।
বাসুদেবঃ সৰ্ব্বমিতি, স মহাত্মা সুদুৰ্ল্লভঃ॥"

অৰ্থাৎ বহুজন্মৰ পিছত হে জ্ঞানবানে "বাসুদেৱ যে সৰ্ব্ব" এই প্ৰকৃত জ্ঞান লাভ কৰি মোক পায়; কিন্তু তেনেকুৱা মহাত্মা বৰ দুৰ্ল্লভ। "বাসুদেৱ সৰ্ব্ব" জ্ঞান মানে জগৎ আৰু ব্ৰহ্মৰ একাত্মজ্ঞান, অভেদজ্ঞান। কিন্তু একশৰণীয়া ভক্তৰ প্ৰতি হলে ভক্তবৎসল প্ৰভু গুৱিৰেপৰা সদায় সুপ্ৰসন্ন, তেওঁৰ পথ ঈশ্বৰৰ অনুগ্ৰহত সুগম।

"শ্ৰদ্ধাবান ভজতে যোমাং স মে যুক্ততমোমতঃ।"

মহাপুৰুষ মাধৱদেৱে সেইদেখি ঘোষাত জ্ঞানী, আৰু ভক্তৰ তাৰতম্য দেখুৱাই লেখিছে—

"জ্ঞাননিষ্ঠজনে বিদ্যা অবিদ্যাজনিত দুয়ো
সুখে বিৰকতি ধৈৰ্য্য বেৰে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ শুচে তেবে॥
পুৰুষোত্তম প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ কালৰপৰা বিধিৰ কিঙ্কৰ শুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন॥"

জ্ঞান যদিও উৎকৃষ্ট, কিন্তু সি পৰমেশ্বৰক লাভ কৰিবৰ নিমিত্তে ভক্তিতকৈ উৎকৃষ্ট নহয় আৰু হব নোৱাৰে। ভক্তিক সহায় কৰিবলৈ, যদিও ভক্তি অকলৈ শকত, জ্ঞান যিমানফেৰা আৱশ্যক সিমানফেৰাই জোৰে; বেছিকৈ



জ্ঞানৰ ফালে ঢাল লৈ পৰিলে, ভক্তিলৈ আওকাণ হবৰ ভয়; অথচ ভক্তি হে ঈশ্বৰ লাভৰ মূল পদাৰ্থ। জ্ঞান মানে ক্ষমতা; কোনো এটা পদাৰ্থক জনা, বা সেই পদাৰ্থ আৰু সেইজনৰ বিষয় তোমাৰ ক্ষমতাৰ কিছুদূৰ আয়ত্ত হোৱা। ইংৰাজীত কয় Knowledge is Power. এই জনা বা জ্ঞানে তোমাক ক্ষমতা প্ৰদান কৰে, আৰু সেই knowledge অৰ্থাৎ জ্ঞানপ্ৰদত্ত ক্ষমতাৰ অধিকাৰী তুমি হলে তোমাৰ মনলৈ অহঙ্কাৰ আৰু অহম্মমৰ ভাব অলপ নহয় অলপ অহাটো খুব সম্ভৱ। পৰমেশ্বৰ অসীম জ্ঞানসিন্ধু, তুমি আয়ত্ত কৰা ক্ষুদ্ৰাতিক্ষুদ্ৰ জ্ঞান-বিন্দুৰে তেওঁক জনাত বা তেওঁৰ বিষয়ে আয়ত্ত কৰাত যিমান ফেৰা সহায় কৰিব, তাতকৈ তোমাৰ মনলৈ ক্ষমতাৰ অহম্মমৰ ভাব আনিবৰ বিপদ সৰহ। ভক্তি কিন্তু Entire resignation; তাত অহম্মমৰ ভাবৰ গোন্ধ পৰ্য্যন্ত নাই; সেইদেখি ভক্তি নিৰাপদ আৰু ঈশ্বৰ লাভৰ মুখ্য বস্তু। এই নিমিত্তে ভক্তই গায়—

"দেৱৰ দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক
ভকতিসে কৰে বশ্য।
আগম নিগম গীতা ভাগৱত
শাস্ত্ৰৰ ইটো ৰহস্য॥"—ঘোষা।

জ্ঞান মাৰ্গাৱলম্বী বেদবাদী, কৰ্ম্মমাৰ্গাৱলম্বী বেদবাদী, জ্ঞান পথ আশ্ৰয় কৰোতা দাৰ্শনিক পণ্ডিতসকলৰ অহম্মমৰ ভাব মনত উৎপন্ন হোৱাৰ উদাহৰণ অনেক। দাৰ্শনিকে জ্ঞানৰ ধুমুহা বতাহত পৰি শেহত ঈশ্বৰক উৰাই দি নিজেও উৰি শূন্য মাৰ্গত পৰাৰ উদাহৰণো তাকৰীয়া নহয়। এইদেখি জ্ঞানী মহন্তই অব্যভিচাৰী ভক্তিৰে কৃষ্ণক ভজনা কৰিবলৈ বাৰে বাৰে উপদেশ দিছে।—

"কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যভিচাৰী ভকতি।
তিনি গুণ অতি ক্ৰমি ব্ৰহ্মৰূপ
পাৱে সিটো মহামতি॥"—ঘোষা।

এইদেখি জ্ঞানী সাধুজনে কয়—

"তিনি গুণময় যত জ্ঞান কৰ্ম্ম
কেৱল বন্ধ কাৰণ।

জানি তাক ত্যজি একান্ত ভকতি
ভজিয়ো কৃষ্ণ চৰণ ॥"—ঘোষা।

তেওঁ কয় জ্ঞান চৰ্চ্চা কৰাঁ, কৰ্ম্ম কৰাঁ, কিন্তু তিনি গুণ বিজড়িত জ্ঞান কৰ্ম্মৰ আশ্ৰয় নলবা; ললে তুমি সংসাৰৰ বান্ধোনেৰে বান্ধ হৈ থাবা, মুক্তি নোপোৱা। একমাত্ৰ সত্ব গুণৰ আশ্ৰয় লৈ জ্ঞান চৰ্চ্চা কৰাঁ, ঈশ্বৰৰ সুপ্ৰীতিৰ অৰ্থে কৰ্ত্তব্য জ্ঞানেৰে ফলাকাঙ্ক্ষা নকৰি কৰ্ম্ম কৰাঁ, তেনেহলে তোমাক সেই জ্ঞান কৰ্ম্মই বান্ধিব নোৱাৰে, আৰু মোক্ষৰ প্ৰধান সম্বল ভক্তিৰ সি প্ৰতিবন্ধক হব নোৱাৰে। সেই কথাকে মাধৱদেৱে ঘোষাত কৈছে—

"ৰজো গুণ তম গুণময় বৃত্তি
কেৱল আসুৰী ভাৱ।
শুদ্ধ সত্ব বৃত্তি দৈৱৰ সম্পত্তি
লৈয়া ভজা কৃষ্ণ পাৱ ॥"

কৃষ্ণক ভজনা কৰিবৰ, ঐকান্তিক ভক্তি কৰিবৰ প্ৰথম উপায় মহন্তৰ সঙ্গ,—

"মহন্তৰ সঙ্গে হৰি কথা ৰসে
মনক ভিজায়ো ভাই।
মায়াক তৰিয়া হৰি পাইবাৰ
আৰৰ উপায় নাই ॥"—ঘোষা।

কেনে মহন্তৰ সঙ্গ লব লাগে মহাপুৰুষ মাধৱদেৱে কৈ দিছে শুনা—

"যাহাৰ জিহ্বাত থাকয় সতত
হৰিৰ নাম মঙ্গল।
সেহিসে মহন্ত তাবাৰেসে মাত্ৰ
সিজয় ধৰ্ম্ম সকল ॥"

আৰু সেই মহন্তৰ মুখৰপৰা নো হৰিনাম শুওচে কিয়? তাৰ কাৰণ, তেওঁ সমগ্ৰ শাস্ত্ৰ তন্ত্ৰ-তন্ত্ৰকৈ পঢ়ি তাৰ তত্ব বিচাৰি পালেগৈ যে, ঈশ্বৰ লাভৰ একমাত্ৰ উপায় ঈশ্বৰৰ নাম শ্ৰৱণ কীৰ্ত্তন;—তেহেলৈ যেয়ে যিহকে কওক। ভক্তি আচল পদাৰ্থ; আৰু শ্ৰেষ্ঠ ভক্তি হৈছে নাম শ্ৰৱণ কীৰ্ত্তন। সেইদেখি তেওঁ

"সমস্ত শাস্ত্ৰৰ তত্বক জানিয়া
লেৱয় নাম মুখত।



সিটো মহাজনে অপ্ৰয়াসে তৰে
সংসাৰ ঘোৰ দুঃখত ॥"

এইবাৰে শঙ্কৰ মাধৱ দুইজনা গুৰুৱে উপদেশ দিছে—"হৰি ৰাম হৰি ৰাম এ মূল মন্ত্ৰ।"—কীৰ্ত্তন।

"ৰাঁম কৃষ্ণ ৰাম কৃষ্ণ বোলা ভাই
ত্যজিয়া লাজ আলাস।
শাস্ত্ৰ আচাৰ্য্যৰ উপাসা কৰিয়া
বাসনা কৰা বিনাশ ॥"—ঘোষা।

---

## মহাপুৰুষ।

অজ্ঞান আন্ধাৰে যেবে পেলালে আবৰি
সুবিমল অসম আকাশ, চতুৰ্দ্দশ
শতিকাত, পঞ্চদশ আৰম্ভ ভাগত,
অন্ধকাৰ ৰজনীয়ে প্ৰসবিলে বহু নিশাচৰ;
কাপালিক তান্ত্ৰিকৰ ঘোৰ উৎপাতত
সনাতন হিন্দুধৰ্ম্ম হল লুপ্ত প্ৰায়,
পাপৰ পঙ্কত নিমজ্জিল সবে নৰ,
অসুখ অশান্তি বায়ু পৰিল বিয়াপি।
দুপৰ সূৰ্য্যৰ দৰে প্ৰচণ্ড কিৰণে
পাপী পাষণ্ডক লেৰেলাই, ৰোপিলা
ধৰ্ম্মৰ বৃক্ষ অসম ৰাজ্যত, পান্থ পাদপৰ দৰে
মৰু প্ৰদেশত, শঙ্কৰ মাধৱ দুয়ো।
বিয়াপিল পুলি-পোখা তিনিও ৰাজ্যত
অশেষ যত্নত আতা-নাতি সমূহৰ।

শ্ৰীকুদ্ৰকান্ত গোস্বামী।

---

# বুৰঞ্জী-মাহাত্ম্য।*

প্ৰথম কল্প।

আমি সদায় কোৱা শুনো "এ দেও নকৰা সেইবোৰ কথা; এতিয়া আৰু সেই দিন আছেনে, সকলো হৰি আহিছে ক্ৰমে হস্তে।" আমি নিজেও কওঁ "আঃ ভাই তাক কলে আৰু কি হব; তেনে দিন আৰু বুৰি নাহে।" এনেবোৰ উক্তি কোনেও ভাবি চিন্তি নকৰে। ই আপোনাআপুনি ওলোৱা মনৰ আবেগ। ইয়াৰপৰা কিন্তু এটি সত্য প্ৰতিপাদিত হয়—আমি অতীতক সদায় পক্ষপাত কৰোঁ। তাক অতিৰঞ্জিত কৰি চোৱাই আমাৰ স্বভাৱ। মানুহৰ এনে আচৰণ "বোপা ককাৰ সহজৰ" দৰে যাউতিযুগীয়া। এতিয়া কথা হৈছে ইয়াৰপৰা কিবা সত্য ফুটি ওলায় নে? আমি জানো মানুহৰ প্ৰত্যেক আচৰণটিৰ অৰ্থ আছে। নতুবা জগতখন 'পগলা গাৰদ'হে হল হেঁতেন। জগতখন 'গাৰদ' হব পাৰে কিন্তু পগলা হব নোৱাৰে। এজন ভক্ত কবিয়েও গাইছিল:—

কোন অপৰাধে, এ দীৰ্ঘ মেয়াদে,

সংসাৰ গাৰদে ৰহিব?"

পগলাই সকলো কথা ফুটাই ভাবে—তাত বেশ বিন্যাসৰ কোনো আয়োজনৰ শুং সূত্ৰও নেথাকে। সাধাৰণতঃ তেনে আচাৰণ বৰণীয় হলে গাৰদৰ গাৰদত্ব ৰক্ষা নপৰে। সংসাৰ যন ওপৰত বৈ আছে আছে সি ধৰা পৰিব। গাৰদত স্বাভাবিকতাতকৈ কৃত্ৰিমতা বেছি। সেই কাৰণে কৈছিলোঁ, ইয়াত "খাম খেয়ালি" একো নেথাকে। ইয়াত এটা ধাৰাবাহিক নিয়ম আছে, এটা শৃঙ্খলা আছে কাৰণেই বিশেষত্ব এই যে গাৰদতো মাদ আৰু তাৰ আদি অন্ত দেখা যায়। কাজেই বুজা গল যে অতীতক আকোঁৱালি ধৰিবৰ আমাৰ যে আয়াস তাত নিশ্চয় এটা যুক্তি আছে, এটা অৰ্থৰ পটন্তৰ স্বৰূপ হৈছে।

---

* তেজপুৰ অ, ভা, উ, সা সভাই ইতিবৃত্ত বিচাৰিবলৈ পা জোকাৰিছে। বৰ্ত্তমান প্ৰবন্ধটো তাৰে পাতনিস্বৰূপে লিখা হৈছিল। মাহাত্ম্য পাঠ নকৰিলে সকলো "নিষ্ফলো ভবেৎ" জানিয়েই লিখকে সাধ্য অনুসাৰে দুটি কথা কৈছিল সেই সভাত।



জগতখন বৰ পিছল। তাত আজি এটা সিদিনা এটা। তাক ধৰা বৰ টান। তাতে আকো গেলাতে টেঙ্গাৰ দৰীয়াকৈ তাৰ বস্তু অবস্তুৰ ভিতৰত তন্ন তন্নকৈ বিচাৰ কৰিও এই বস্তুৰ সন্তেদ পোৱা টান। গোলাপৰ আচল যি সাৰ পদাৰ্থ তাক ৰংচঙীয়া পাহিবিলাকৰ মাজত বিচাৰিলেহে পোৱা যায়, যি এই কথাটো বুজে (পিছল কাৰণে বহুতে বুজিও বুজিব নোৱাৰে) তেওঁ পাহিবিলাক ভেদ কৰি ভিতৰৰ আচল বস্তুটিৰ সন্তেদ লৈ তাৰ ৰস গ্ৰহণ কৰি তৃপ্ত হয়; যি তাৰ সন্ধান নেজানে তাৰ সাৰহে নেথাগে তাৰ খবৰকে ৰাখে কোনে? Full many a flower is born to blush unseen." বস্তুৰ সাৰ্থকতা বুজি আৰু তাৰ মৰ্ম্ম গ্ৰহণ কৰি তাক আমাৰ যাৱতীয় ব্যৱহাৰলৈ অনাই সভ্যতা। যি যিমান বস্তুৰ সন্ধান জানে তেওঁ সিমান সভ্য। যথাৰ্থ আতৰ, গোলাপজলৰ ব্যৱহাৰ কেইজনে জানে? যি জানে তেওঁ যেনে ভাবে থাকিলেও গোলাপৰ মৰ্ম্ম বুজে। যি নেজানে, গোলাপ হলেও সি তেওঁৰ মানত গলগ্ৰহ। সংসাৰ গোলাপ ফুল হলেও সিহে তেওঁৰ ওপৰত আধিপত্য সংস্থাপন কৰে; তাৰপৰা তেওঁ সোৱাৰ উলিয়াই গ্ৰহণ কৰিব নেজানে। অৰ্থাৎ জগতখন ঠিক "ফুলোনে মুকুলোঁ কৈ আধাফুটা ফুলটি।" ইয়াৰ তথা, ইয়াৰ যি সাৰ বস্তু সি আছে লুকাই। তাক বিচৰা পথো বেলেগ, গতি বিধিও বেলেগ বেলেগ আৰু সুন্দৰৰ প্ৰধান উপাদান বিভিন্নতা ইয়াৰপৰাই ৰক্ষিত হৈ আছে। ইয়াত "ধানটোৰেপতি কণটো মানুহটোৰেপতি মনটো" হলেও মিলন ভূমি আছে।

কাজেই জগতত বেলেগ বেলেগ সম্প্ৰদায়, বেলেগ বেলেগ আদৰ্শ, বেলেগ বেলেগ ধৰম ইত্যাদি। সম্প্ৰদায়ৰ ভিতৰত থাইকৈ দুটা জগতত দেখা যায়। এটি হৈছে Liberal (উদাৰ) আনটি হৈছে Conservative (সংৰক্ষক)। উদাৰ মতৰ দলে জগতত পুৰণি বাদ দি নতুন লবলৈ মন কৰে—জগতত নিতে নতুন ঘটিবই লাগিছে কাৰণে। নতুন কিবা হোৱা মানে জগতৰ গতিৰ লগে লগে আগ বঢ়া। সিবিলাকে কয় আমিও নতুনৰ লগে লগে নগলে পিছ পৰি থাকিম অভিব্যক্তিত। কাজেই বৰ্ত্তমান সময়ত গতি-মতি এই উদাৰ মতাৱলম্বী দলৰ সপক্ষেহে। আন দলে কয় "জগৎ বৰ পিছল। তাক বিশ্বাস কৰা টান। কেতিয়া কলৈ ওপঙাই নিব ঠিক

নাই। আমি অতীতৰ সহায় একেবাৰে এৰিব নোৱাৰোঁ। বিশেষ ৰক্ষণশীলটো আমাৰ স্বাভাৱিক ধৰ্ম্মই। নিজক ৰক্ষা কৰিবলৈ মন নকৰে কোনে? মৰিবলৈ ভয় নাই কাৰ? সেই কাৰণে মানুহে পিছল খাই পৰিবৰ ভয় কৰি নিজক সুদৃঢ় কৰিবৰ অৰ্থে জগতত সদায় যত্ন লয়। যত্নৰ চিন পাওঁ আমি এই সংৰক্ষক দলৰ ভিতৰতে। পিছল জগতত পিছলি যাওঁতে ৰবলৈ এঠাইত ধৰি যত্ন কৰাটো স্বাভাৱিক নহয়নে? এই যে এঠাইত ধৰি ৰবলৈ যত্ন এই যত্নৰ বাবেই আমি অতীতক সদায় আকোঁকোৱালি ধৰিব খোজোঁ।—এৰি দিবৰ মন নকৰোঁ। সেই কাৰণেই জ্ঞানীয়ে কয় "বৰ্ত্তমানটো অতীতৰে প্ৰসূত।" আৰু অতি আগ্ৰহ কৰি অতীতক ধৰিব খোজো কাৰণেই আমি তাক বৰ সুন্দৰ দেখোঁ। যাক আমি ভাল পাওঁ কুৎসিৎ হলেও সি সুন্দৰ। সন্তান যিমানেই কুৰূপ নহওক মাকৰ মানত সি আকাশৰ জোন। ইতিবৃত্ত বা অতীত ঘটনাবিলাক জানিবলৈ আমাৰ আগ্ৰহ সেই কাৰণেই সিমান প্ৰবল!—অতীত ঘটনা সেই কাৰণেই আমি ডাঙৰ বুলি জানো। অৱশ্যে এইটো আমি জানি থোৱা উচিত যে কিছুমান কথা এতিয়াৰ অৱস্থাৰপৰা ডাঙৰ বা মহৎ দেখিলেও অভিব্যক্তি হিচাপত আন পক্ষৰপৰা সি তেনে নহয়। এই সময়তো এনে কিছু মহৎ ভাব আছে যিবিলাক পূৰ্ব্বে সপোনতো ভবা নাছিল। যিহক, উদাৰ দলৰ সহায়েৰে আমি বিচাৰ কৰি নতুন কিবা আহিলেও তাক গ্ৰহণ কৰা বেয়া নহয়। নিতান্ত সংৰক্ষক হলে নিতে ন ন ভাব ওলোৱা এই অনন্ত জগতৰ লীলাৰ আনন্দ কেতিয়াও উপভোগ কৰিব নোৱাৰিম। আকৌ সেই দৰে নিতান্ত উদাৰ হলেও কেতিয়াবা ভুল কৰি আপাতমধুৰ বস্তু দেখি ভোল গৈ শেহত সৰ্ব্বসাং হোৱাও আচৰিত নহয়। উদাৰে ন লওক কিন্তু বিচাৰ কৰি। সংৰক্ষকে অতীতকে ধৰক সাবটি কিন্তু অন্ধভাৱে নহয়। বুৰঞ্জী বিচাৰ কৰোঁতেও আমি পক্ষপাত কৰা বেয়া হয়। যথাৰ্থভাৱে যাবলৈ যত্ন কৰিব লাগিব। আমাৰ স্বাভাৱিক নিয়মেই এই স্থলত প্ৰধান অন্তৰায়,—অতীত কথা অলপ নহয় অলপ ৰংচঙীয়া হয়েই।

এতিয়া কথা হৈছে এই অতীত ঘটনাবিলাক আমাৰ মিঠা লাগে কিয়?



আমিনো অতীতক কিয় ভাল পাওঁ? কিয় সেই ছবি মনোৰঞ্জন হয়? আমি বৰ্ত্তমানতকৈ অতীতক ভালকৈ বুজোঁ কাৰণে। পিছল কাৰণে বৰ্ত্তমান বুজাটো টান। আমি খাইকৈ দুটা উপায়েৰে জগতত শিক্ষা পাওঁ। "এক শিকোঁ দেখি আৰু এক শিকোঁ ঠেকি।" দেখাতকৈ ঠেকা-ঠুকলি খাই শিকি যি অভিজ্ঞতা বাঢ়ে তাৰেপৰা হৈ যোৱা ঘটনাবিলাকৰ মৰ্ম্ম অলপ বেছিকৈ মুকলি হয় আৰু তাৰ আভ্যন্তৰিক সৌন্দৰ্য্য ভালকৈ দেখি আমি বিমোহিত নহৈ নোৱাৰোঁ। কাজেই দেখা গৈছে যে কৰ্ম্মক্ষেত্ৰত আমি আগ বাঢ়িহে আহি আছোঁ। গতি থকা মানেই অসম্পূৰ্ণতা ভেদ কৰা। পৰীক্ষাত উত্তীৰ্ণ হব পাৰিলে আমি ভাবোঁ "এঃ, পৰীক্ষা "পাছ" কৰা একো টান নহয়।" কিন্তু "পাছ" কৰাৰ পূৰ্ব্বে তেনে ভাব আমাৰ থাকেনে? তাৰ নিমিত্তেই কত যত্ন কৰি হাইৰাণ নহওঁনে? মৰ্ম্ম বুজিয়েই আমি অতীতক এৰিব নোৱাৰোঁ। মোল পালে যেই সেই কথাই আমাক আনন্দ দিয়ে। জানিলে সকলো কৰা ভাত মাছ, নেজানিলেই গলগ্ৰহ। পানী কোন ঢালে বাগৰি আহিছে দেখিলে বেছ কব পাৰি; কিন্তু তাৰ গতি চাই আগলৈ কোন ঢালে বাগৰি যাব তাক ঠিক কৰাহে টান! বস্তুৰ মোল বুজা হয় কাৰণেই আমি 'সংৰক্ষক' (conservative) নহৈ নোৱাৰোঁ। যিটো বাটেদি আহি পৰ্ব্বতৰ টিঙত উঠিলোঁ, উঠা শেষ হওঁতেই সেই বাটটো অনাবশ্যক হয়নে? নামি আহিবৰ হলে কেতিয়াবা নেলাগিবনে? আৰু সহ সদায় সমানে যায় জানো?

মুঠতে আমি যিমানেই আগ বাঢ়ি আহিছোঁ কালৰ সোঁতত সিমান অতীতক ফটফটীয়াকৈ দেখি বুজি আহিছোঁ। এই কাৰণেই আজিও মহাপুৰুষসকলৰ লীলাৰ অঙ্ক গৰ্ভাঙ্কবিলাক অতি যত্নেৰে ৰক্ষা কৰি আহিছোঁ। নিতে তাৰপৰা ন ন কথা উদ্ভাৱন কৰি ধন্য হৈছোঁ। পুৰণি হৈছে মানে নতুন নতুন তথ্য আৰু লীলা মহাত্ম্য ওলাইহে আহিছে। অৰ্থাৎ আমি নিজে উন্নত হৈ আহিছোঁ ক্ৰমে। সৰহ নেলাগে বৰ্ত্তমান সময়ৰ ইতিবৃত্তলৈ থাউতি দেখি আপোনালোকে একো বুজিব পৰা নাইনে? বঙ্গদেশত প্ৰত্নতত্ত্বলৈ মহাধুম পৰি গৈছে!

মানুহৰ ব্যাপাৰ লৈয়েই বুৰঞ্জী। তাত মানুহৰ সকলো অৱস্থা, যাবতীয়

কাৰ্য্য-কলাপৰ টোকা থাকে। তাত কোন সময়ত মানুহৰ কি অৱস্থা আছিল। এতিয়া কেনে হৈছে, কোন দেশৰ মানুহৰ কেনে আচাৰ ব্যৱহাৰ, কোন দেশৰ মানুহ কোন কাৰ্য্যত পাৰ্গত, কোন দেশৰ কি সমল লৈ মানুহে কি কাম কৰি সভ্য হৈছে তাৰ বিবৰণ বুৰঞ্জীত থাকে। এয়ে যদি হয় তেন্তেনো হিন্দুৰ ওপৰত মিছা অপবাদ প্ৰচলিত কিয় যে হিন্দুবিলাকে বুৰঞ্জীৰ মোল নেজানিছিল, তেওঁবিলাকৰ ধাৰাবাহিক একো বিবৰণ পোৱা নেযায়? বেদ-বেদান্ত, তন্ত্ৰ-পুৰাণ স্মৃতি-সংহিতা যি জাতৰ আছে তাক বুৰঞ্জী-কঙ্গাল বুলিলে আমি হাহোঁহে লাজত !! হিন্দুৱে পুৰণি কথা যিমান আদৰ কৰে অনে কোনো জাতে তেনে নোৱাৰে, পৰা নাই আজিলৈকে। সৰহ কথা নেলাগেই সাধাৰণ আচাৰ ব্যৱহাৰো লাখ লাখ বছৰৰ আগেয়ে হিন্দুৰ যেনে আছিল আজিও তেনে আছে বেদ-মন্ত্ৰ এতিয়াও নিতৌ পাঠ হয় হিন্দুৰ মাজত। হৰবেই কথা, সত্যৰ, যথাৰ্থ বস্তুৰ সোৱাদ মানুহে এৰিব কিয় বা, নোৱাৰেই। এটি কথা সোধোঁ যদি হিন্দুৱে কোনো পুৰণি চিন থৈয়েই যোৱা নাছিল তেন্তেনো এতিয়া "Pre historio age"-অৰ সম্বেদ ইবিলাকে কব পৰা পালে? Prehistoric কথাবিলাক তেন্তে নিতান্ত কল্পনাপ্ৰসূত নে? আন নেলাগে সাধাৰণ পদ পুথি এখনতো তিনি পিঠি ভৰা ভণিতা থাকে গ্ৰন্থকাৰৰ। ইমান পুৰণি জাত এটাৰ বিষয়ে এতিয়া সকলো জানিবৰ আয়াসত অলপ দোষ দেখা যায়। তদুপৰি এই জাতটোৰ ওপৰত যিমান অত্যাচাৰ হৈছে আন কাৰো ওপৰত তেনে হোৱা নাই। ইমানৰ ভিতৰতো যি পোৱা গৈছে আন জাতৰ তুলনাত সি যথেষ্ট অৰ্থাৎ more than enough. নিজক প্ৰতিষ্ঠা কৰিবলৈ যদি আটায়ে বিচাৰেই হিন্দুনো তাৰ বাহিৰ কেনেকৈ হল?

আমি ওপৰত কৈ আহিছোঁ। যে যি যিমান বস্তুৰ সন্ধান জানে তেওঁ সিমান সভ্য। আবহমান কাল ধৰি জগতত বস্তুৰ সন্ধান চলি আহিছে। সেই সন্ধান অৱশ্য বিভিন্ন ভাবে জগতত ব্যক্ত হৈছে। হিন্দুৱে যেনে ভাবে বিচাৰিছে আন জাতে তেনে ভাবে বিচৰা নাই। হিন্দুৱে Principlesৰপৰা facts-অলৈ আহে কিন্তু আনে facts বিশ্লেষণ কৰি Principles-অলৈ যাবলৈ বিচাৰে। নেজানে যে "we made mistakes in details"—



আমি বিভিন্নতাত বিচাৰিলে সদায় ভুল কৰোঁ; কিয়নো তাত অলপ অচৰপ গৰ-মিল থাকে। যিহক, এই সন্ধান কৰি যাওঁতে অভিজ্ঞতাৰ আৱশ্যকতা হলেও চলিত যত্নও বৰ কাৰ্য্যকৰী হৈ উঠে আৰু সেই যত্নৰ ফল দেখোঁ। আমি শাস্ত্ৰাদি গ্ৰন্থ, সাহিত্য, দৰ্শন; বিজ্ঞান, গণিত, জ্যোতিষ ইত্যাদিত আৰু মহাপুৰুষসকলৰ অভ্যুদয়ত। সকলোৱে জানে যে মহাপুৰুষসকলেই সমাজৰ চিন্তাৰ ফল—যাৱতীয় অভাৱমোচক। জীবিত সমাজৰ লক্ষণেই হৈছে মহাপুৰুষৰ আবিৰ্ভাব। যি সমাজ মৰিল বা মৰিবলৈ ওলাইছে তাৰ ভিতৰত মহাপুৰুষৰ আবিৰ্ভাব হব নোৱাৰে। এজন মহাত্মাই কৈছিল "They are the living embodiments of the thoughts of the system past and the system to come" এই জগৎখন কিন্তু ইমান পিছল যে এই ক্ষণজন্মা মহাপুৰুষসকলৰ বাণীও, প্ৰদৰ্শিত পন্থা কিছুমান সময়লৈহে উপযোগী থাকে—তাৰ পিছত সি আকৌ কুসংস্কাৰত পৰিণত হয়। কাজেই শাস্ত্ৰত আছে "যুগে ২ অৱতাৰ ধৰা অসংখ্যাত।" আমি এই অৱতাৰ মহাপুৰুষসকলৰ জীৱনী আলোচনা কৰিলেও দেখোঁ যে সিবিলাকে কেতিয়াও অতীতক দলিয়াই পেলোৱা নাই। পাৰম্পৰ্য্য (continuity) সিবিলাকে নেভাঙে; ৰক্ষা কৰিবলৈহে আবিৰ্ভাব হয় বুলি মানিব পৰা। খৃষ্টৰ জীৱনী আলোচনা কৰোঁতে পুৰণি আচাৰ এটি অনুষ্ঠান কৰাত (এতিয়া সি চলিত নাই) লিখক Dean Farron এ এই দৰে কৈছে "It i. e. the circumcision of Christ shows that Christ came not to destroy the law, but to fulfil" পাৰম্পৰ্য্য ৰক্ষা কৰিবলৈকো জগতৰ গতি বুজা টান। সদায় মায়াময়ী।

আমি এটা বস্তু বুজোঁ কিহেৰে? তাৰ গুণবিলাক আলোচনা কৰিহে তাৰ সম্পৰ্কে কিবা মতামত দিব পৰা যায়। বস্তুৰ ৰূপ ভাগটো সিমান সাৰুৱা নহয় যিমান গুণৰ ভাগটো বা নামৰ ভাগটো। মানুহ এজন দেখি আকাৰ হিচাপৰ মানুহটো জানিও তুমি তেওঁৰ সম্পৰ্কে কিবা মতামত দিব পাৰিবানে? তেওঁৰ গুণাগুণ নেচাই কেনেকৈ কব পাৰিবা যে "তেওঁ এনে, তেওঁ তেনে।" সেই দৰে যাৱতীয় বস্তুৰো গুণৰ চিনাকি পালেহে আমি সিইতক চিনিব পাৰিম। গুণ কিন্তু ফুটি ওলায় কাৰ্য্যত। মানুহৰ

চিনাকি কাৰ্য্যত আপোনাআপুনি ওলায়। এই কাৰণে যি যথাৰ্থ গুণী পুৰুষ তেওঁলোকে নিজৰ গুণ প্ৰকাশ নকৰিলেও আপোনাআপুনি কাৰ্য্যত দেখা যায় আৰু আনে তেওঁলোকক যথেষ্ট সমাদৰ কৰে, পুজা কৰে। ব্যষ্টি হিচাপৰ যি কথা সমষ্টি হিচাপেও সেই কথা খাটে। সমষ্টি হিচাপে দেশৰ সমাজৰ বিষয়ে কিবা বুজিবৰ হলে যাবতীয় কাৰ্য্যাৱলী আলোচনা কৰিব লাগে। এই কাৰণে ইতিবৃত্ত অতি লাগতিয়াল। অভিজ্ঞতা সমষ্টিৰ বিবৰণে আমাৰ গাত কেইবা প্ৰকাৰেও বল দিয়ে। অভিজ্ঞতা সমষ্টিৰ অন্তৰ পুৰুষসকলৰ প্ৰদৰ্শিত পথ সেই কাৰণেই অনুকৰণীয়। সেই কাৰণেই জ্ঞানীয়ে কৈছিল "মহাজনো যেন গতঃ স পন্থাঃ।" যাবতীয় কাৰ্য্যাৱলী আলোচনা কৰি তাক খাঁটি যি সাৰ উলিয়াই উপদেশ বাণী দি গৈছে মহাপুৰুষসকলে, তাৰ পাৰম্পৰ্য্য তাৰ প্ৰতিধ্বনি জগতত চিৰকাল আছে, থাকিব। আৰু সেই প্ৰতিধ্বনিৰ কাৰণেই অতীতৰ খবৰ নিবিচাৰি নোৱাৰোঁ।

"কালো হৰতি সৰ্ব্বশঃ।" হৰণ কৰা হিচাপত কাল সৰ্ব্বংসহা। বস্তু বিচাৰৰ প্ৰধান ব্যৱধান এই কাল আৰু দেশ ( Time & Space )। এই কাল আৰু দেশক জব্দ কৰা বৰ টান। ইহঁতৰ ওপৰত আধিপত্য কৰিবৰ যি আয়োজন সেয়ে সাধনা। সাধনাত সিদ্ধি লাভ কৰিলেই সেই দেশ আৰু কাল আমাৰ পৰম বান্ধৱ হৈ উঠিব। তেতিয়া সিহঁত ব্যৱধান গুচি সহায়ক হে হব বস্তু বিচাৰত। যি বস্তুটো মোক লাগে তাক পাব নোৱাৰোঁ এই দেশ আৰু কালৰপৰা। দেশে আঁতৰ কৰে আৰু কালে ঢাকি থয়—কালৰ ৰূপটো এন্ধাৰ। হওঁতে সকলো দেশ আৰু কালৰ কোলাতে ওপজে। তথাপি প্ৰথম অৱস্থাত সিহঁত আমাৰ শত্ৰু। আজি সৰহ নেলাগে হেজাৰ বছৰৰ আগৰ কথাটো কিয় কব নোৱাৰোঁ, কিয় বুৰঞ্জী লিখিবলৈ যাওঁতে প্ৰতিপদে আহত হওঁ। কাল মহাচোৰ—আটাইবোৰ কথা লুকুৱাই পেলালে, বুৰঞ্জীৰ উপাদানবিলাক কালে সাং কৰিলে কৰাল গ্ৰাসত। কাজেই হল তুলিবলৈ হল হল সেই বুৰঞ্জীয়েই। যত পৰে তৰপৰাই মুঠিলে উপায় কত? কালৰ বিৰুদ্ধে ভাঙ্গিবৰ প্ৰধান অস্ত্ৰ এই বুৰঞ্জী। কালৰ সোঁতত শিলৰ সাকোঁও এই বুৰঞ্জীয়েই। শত্ৰু



কালৰ এন্ধাৰ ৰূপ ভেদ কৰিম কিহেৰে? বিচাৰেৰে। বিচাৰ কৰিলেই তাৰ প্ৰধান তথ্য উদ্ভাবিত হবৰ আশা থাকিব পাৰে। বিচাৰৰ ফলেই হল ইতিবৃত্ত। ইতিবৃত্তত বিচাৰৰ যাৱতীয় সোপান বৰ্ত্তমান থাকে। কালে যিটো বস্তু ঢাকিব খোজে ইতিবৃত্তই তাক সজীৱ ৰাখিব খোজে নিজৰ বুকত পদাৰ্থ ধাৰণ কৰি।

প্ৰথমতে ইতিবৃত্তত যাবতীয় বস্তুৰ বিবৰণ আছিল। তেতিয়াৰ বস্তু ইমান বহুমুখী হোৱা নাছিল। সাহিত্য, গণিত, দৰ্শন, বিজ্ঞান আদিৰ পৰিচয়, শিল্পাদি কাৰুকাৰ্য্যৰ বিবৰণ, যুদ্ধ বিগ্ৰহাদিৰ খবৰ সেই একে ইতিবৃত্তৰ সীমাৰ মাজতে আবদ্ধ আছিল। এতিয়া তাৰ গণ্ডী ইমান ডাঙ্গৰ হৈ পৰিল, আমাৰ শক্তিৰ উৎকৰ্ষ লাভৰ লগে লগে প্ৰত্যেকটো শাখাই ইমান উন্নতি কৰিবলৈ ধৰিলে যে, এতিয়া সিহঁতক স্বকীয়া আসন দি বেলেগ বেলেগ "মুৰব্বী" পাতি প্ৰত্যেকৰ সীমা-মৰলি বঢ়াব লগা হৈছে। এতিয়া সাহিত্য বেলেগ, এতিয়া দৰ্শন বেলেগ, এতিয়া বিজ্ঞান বেলেগ, এতিয়া বুৰঞ্জীও বেলেগ। এতিয়াৰ ডাঙ্গৰ বুৰঞ্জীত তাৰ উল্লেখ আছে, বিস্তৃতভাৱে বৰ্ণনা নাই। এতিয়া প্ৰত্যেকে জনম-গতিৰ স্বকীয়া বিবৰণ ৰাখিবলৈ যত্নবান্। এতিয়া ইতিবৃত্ত আছে সাহিত্যৰ, ইতিবৃত্ত আছে বিজ্ঞানৰ, ইতিবৃত্ত আছে দৰ্শনৰ; ইত্যাদি। ইয়াৰপৰা বুজা যায় যে এতিয়াৰ বুৰঞ্জীত জনমৰপৰা বিশেষ বিশেষ কাৰ্য্যাৱলীহে পোৱা যায়। এতিয়া শাখা প্ৰশাখা, ঠাল ঠেঙুলি বহুত বাঢ়িছে কাৰণে সম্যক জ্ঞান পাবৰ হলে আগৰ দৰে অকল ইতিবৃত্ত পঢ়িলেই নহব বৰঞ্চ আৰ তাৰ কৰি আৰু ১০বিধ মানৰ ইতিবৃত্তই সৈতে মূল কথা পঢ়িলেহে হব। জগৎ যে নিতে অভিব্যক্তিৰ ফালে আগ বাঢ়িছে ইয়াতকৈ বিশিষ্ট প্ৰমাণ আৰু কি লাগিছে? এতিয়া বুৰঞ্জীত মানুহৰ কাৰ্য্যাদিৰ আংশিক মূল বিবৰণ পোৱা যায়। কাজেই জ্ঞান বুৰঞ্জী পাঠ কৰিলেই সমুদয় আচল বস্তুৰ সন্ধেদ পোৱা যায়। সাধাৰণ জ্ঞানৰ নিমিত্তে বুৰঞ্জী প্ৰধান। বুৰঞ্জী পঢ়ি সাৰ মুঠ কথাকেটা জানিব পাৰি। ই কম সুযোগ নে? সেই কথাবিলাক আওটিলেই বা আওটিবলৈ যত্ন কৰিলেই আমাৰ বিশিষ্ট জ্ঞান অনিবাৰ্য্য। কিয়নো মস্তিষ্কেৰে জনাতকৈ উপলব্ধি কৰা টান কিন্তু বৰণীয়। উপলব্ধিত ধনাবৃত্তি বহুত সময়ত

অত্যাৱশ্যকীয়—বুৰঞ্জী ইয়াত প্ৰধান সহায়ক। সি যিহক এতিয়া এইটো বুজা গল যে সৰ্ব্বহাৰিণী কালৰ বিৰুদ্ধে যুদ্ধ কৰোঁতা বীৰ বুৰঞ্জীক পূজা নকৰি আমাৰ উপায়ান্তৰ নাই।

নিজৰ বিস্তৃতি বিচৰাটো আমাৰ তাহানিকালৰেপৰা চলি অহা স্বভাৱ। সকলো বিষয়তে 'আমাক' প্ৰতিষ্ঠিত কৰিবলৈ যত্ন নকৰি নোৱাৰোঁ। সকলোৱে কালৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগিছে নিজৰ নিজত্ব ৰাখিবলৈ। সকলো মানুহে সদায় ভাল হবলৈ বা ডাঙৰ হবলৈহে যত্ন কৰে। কোনো মানুহে "এয়ে মোৰ যথেষ্ট হৈছে" বুলি হাত সাতটি বহি নেথাকে। সকলোৱেই কিবা এটা বিচাৰি আবহমান কালৰেপৰা যাত্ৰা কৰিছে। কিবাটো কি কৰও নোৱাৰে অথচ তাক নিবিচাৰিও পৰা নাই কোনেও। অসম্পূৰ্ণ ভেদ কৰিবলৈ, পূৰ্ণত্ব লাভ কৰিবলৈকে তাৰ প্ৰয়াস। আমাৰ মূল লক্ষ্য কি? আমি মৰিবলৈ সদায় ভয় কৰোঁ। আমি সেই কাৰণেই প্ৰাণ বিচাৰি নানান অভিজ্ঞতাৰ ভিতৰত ফুৰিছোঁ, ভাগৰিছোঁ, পাইছোঁ ইত্যাদি। এই প্ৰাণ দেখিবলৈ বিচৰা সকলোতে মানেই নিজক বিস্তাৰ কৰা, সকলোতে নিজৰ স্ফুৰণ দেখা। এই বিষয়ত বুৰঞ্জী প্ৰধান সহায়ক। বুৰঞ্জীয়ে বৰ্ত্তমান অৱস্থা পাৰ কৰি আন এখন প্ৰদেশৰ বাতৰি আমাক দিয়ে। তাৰপৰা আমাৰ হিঁয়া মুকলি হয়, জ্ঞান চকু গজে। বুৰঞ্জীয়ে আমাৰে অতীত জীৱন আলোচনা কৰে। আন এটা ৰূপ লৈ মই নিশ্চয় ২০০ বছৰৰ আগেয়েও আছিলোঁ। মায়াত পৰি পাহৰিলোঁ। বুৰঞ্জীয়ে আকৌ আভাস দিলে "যে তোমাৰ এনে তেনে কাৰ্য্য আছিল।" তাৰে পৰা বুকুত সাহ বান্ধিলোঁ। "এ পূৰ্ব্বে তেনে থাকি এতিয়া এনে হৈ পৰি থাকিম কিয়?" বুৰঞ্জীয়ে অতীত আৰু বৰ্ত্তমানৰ ভিতৰত থকা অমিল আঁতৰাবলৈ সদায় যত্ন কৰে। পিতৃ পিতামহৰ আমি এটা নতুন সংস্কৰণ নহওঁনে? শাস্ত্ৰত কয় বাপেকেই ঘূৰি পুত্ৰ ৰূপে জনম লয়। যেতিয়া আমি আৰু তেওঁক একে দেখোঁ, দুয়োক এক বুলি জানো, লীলা মানো তেতিয়া আমাৰ বল কিমান বাঢ়ে,--নিজক কেনে প্ৰতিষ্ঠা কৰিব পাৰোঁ। 'হাউচত হিয়া উপচি—' পৰে আৰু আমি কৰ্ত্তব্যপৰায়ণ হৈ গন্তব্য পথত অবাধে আগ বাঢ়িব পাৰোঁ। জাতীয়তা গঠনত সেই কাৰণে বুৰঞ্জী



অগ্ৰগণ্য। বুৰঞ্জীয়ে আমাৰ চিৰশত্ৰু বহিৰ্জ্জগৎখনক কেনেকৈ গুলতীয়া কৰি ৰাখিব লাগে তাৰে অলপ আভাস দিয়ে। (এই খিনিত নিজৰ বাহিৰে যাৱতীয় পাৰ্থিব বস্তুবিলাকক বহিৰ্জ্জগৎ বোলা হৈছে।) বুৰঞ্জীত দেখোঁ—পূৰ্ব্বে মানুহ কেনে আছিল, এতিয়া কেনে হৈছে, এতিয়াৰ অৱস্থা সি কি উপায়েৰে পালে। ইয়াৰপৰা আকৌ নতুন উপায় উলিয়াবলৈ তাৰ সুচল নহবনে? কেনেকৈ সি বহিৰ্জ্জগতক মোহাৰি নিজৰ সুখ উলিয়াই লব তাৰ দিহা নহবনে? জীয়াই থাকিব যিহেৰে পাৰি সেয়ে জ্ঞান আৰু এই জ্ঞান আৰ্জ্জিবৰ প্ৰধান উপাদান বুৰঞ্জী।

কোনো বিষয়ৰ সম্যক্ জ্ঞান পাব পাৰি তাক এটা সীমাৰ ভিতৰলৈ আনি। "নেবান্ধি সিঁচিলে জলৰো ক্ষয় নাই।" অনাদি অনন্ত ব্যাপাৰত ই একো নতুন কথা নহয়। ইটো এটা স্বাভাৱিক ধৰ্ম্ম। পৃথিৱীৰ যাৱতীয় খণ্ড সত্যবিলাকৰ সমষ্টিয়েই হল ভূমা। আৰু এই ভূমাৰপৰাই খণ্ড সত্য বিলাক বৈ আছে। কাজেই দেখা গল ইয়াত পাক দুটা, এটা আওঁপাক, এটা সোঁওপাক। হিন্দুদৰ্শনে তাৰে নাম দিছে অনুলোম আৰু বিলোম ইংৰাজীত Analysis & Synthesis. যেতিয়াই কোনো ব্যাপাৰ আমাৰ ইন্দ্ৰিয়গোচৰ হয় আমি তাক হয় অনুলোম নহয় বিলোম কৰিহে তাৰ বিষয়ে মতামত দিব পাৰোঁ। চকুত এটা বস্তু পৰিলে তৎক্ষণাৎ তাক পূৰ্ব্বৰ জ্ঞানৰ লগত মিলাই স্থিৰ কৰিলোঁ ই নিশ্চয় সেই জাতীয় বস্তুৱেই হব। ডাঙৰ এটা ঘটনা ঘটিল; তাক ফঁহিয়াই চন্দিয়াই চোৱা গল আৰু স্থিৰ হল যে এই এইবিলাক কাৰণতে ই ঘটিবৰ সম্ভাৱনা। এটাই ভাঙি বুজে আনটোৱে গঢ়ি বুজে। পৃথিৱীৰ স্থিতিও এই ভঙা গঢ়া গতিৰ ওপৰতে নিৰ্ভৰ কৰে। এই কাৰণেই জগত পিছল—পৰিবৰ্ত্তনশীল! আমি আজি যি ঠাইত বহি লিখা পঢ়া কৰিছোঁ ০০ বছৰৰ পূৰ্ব্বে ইয়াত বা কি আছিল? আজি জগতৰ সৌন্দৰ্য্য উপকৰণ তাৰ ঐশ্বৰ্য্য আভৰণ একে আছেনে আগৰ দৰে? কালে তাৰ পৰিবৰ্ত্তন ঘটোৱা নাইনে? হওঁতে ভাঙিছে যি কালে গঢ়িছেও তেঁৱেই; কিয়নো একে কালৰ ভিতৰতে দুয়ো সম্ভৱপৰ হৈছে। মহেশ্বৰ কাল—সংহৰণ কৰ্ত্তা। আকৌ জগতক ৰক্ষা কৰিবলৈ তেৱেঁই নীলকণ্ঠ সমুদ্ৰমন্থনোত্থিত কালকূট পান কৰি! যিহক

এই ভঙ্গা গঢ়া সম্বন্ধে যুগাচাৰ্য্য শ্ৰীশ্ৰীৰামকৃষ্ণ দেৱেও কৈছিল "অনুলোম বিলোম, ঘোলেৰই মাখন, মাখনেৰই ঘোল, যদি ঘোল হয়ে থাকে তো মাখনও হয়েছে। যদি মাখন হয়ে থাকে তাহলে ঘোলও হয়েছে। যাৰই নিত্য তাঁৰই লীলা।" এইটো সহজে বুজা যায় যে লীলা (phenomena) নিত্যৰে মহিমা কীৰ্ত্তন কৰিবলৈ আৰু নিত্য (Absolute) নহলে লীলা হব কৰ পৰা? কাজেই ভঙ্গা গঢ়া লীলা এটা অনন্ত ঐশ্বৰ্য্যৰ ওপৰত নিৰ্ভৰ কৰিছে। সামাজিক উত্থান পতন সমন্বৰ কোলাত। কোনো প্ৰদেশৰ বুৰঞ্জী বিচাৰ কৰোঁতে সেই দেশখনৰ সম্বেদ আগেয়ে লব লাগিব। তেনে খণ্ডত Analysis হে সম্ভৱ হব। হওঁতে ডাঙ্গৰৰ কথা জানিবৰ হলে খণ্ডবিলাকৰ মৰ্ম্ম লৈ আগ বাঢ়িলে সহজে মাহাত্ম্য অনুমিত হয়। ডাঙ্গৰ সক দুয়োৰে সম্বেদ আমাক লাগে। এটাৰ ওপৰত আনটো বিশেষকৈ নিৰ্ভৰ কৰে। গঢ়া বস্তু নেথাকিলে ভাঙ্গিব কি আৰু ভাঙ্গিবলৈকো গঢ়িলেহে হব। যিমানেই খণ্ড কৰি লব সেই বিষয়ৰ জ্ঞান সিমানেই ভাল হব। কাজেই গোটেই দেশখনক নধৰি তাৰ একোটা ২ অংশৰ তথ্য বিচাৰ কৰি শেহত যোগ কৰিলেই ওজনত ঠিক ওলাবহে ওলাব। খণ্ডৰ পক্ষে যি সত্য ভূমাৰ পক্ষেও সেয়ে; যিহেতু "যা আছে ভাণ্ডে তা আছে ব্ৰহ্মাণ্ডে।" বিকাশত "হেৰ ফেৰ" দেখা গলেও আচল বস্তুত একো "গৰমিল" নাই। আমি খণ্ড হিচাপৰ বিচাৰ কৰোঁতে কিছুমান লাগতীয়াল সমূহ কথাৰ বিচাৰ কৰিব লাগিব। Main principles-অৰ খবৰ লৈ facts-অলৈ যাব লাগিব আমাৰ কামত। এই facts বিলাকে শেহত পৰিপূৰ্ণতা লাভ কৰিব পাৰিলেই আমাৰ শ্ৰম সফল হব, উদ্দেশ্য সিদ্ধ হব।

"মৰাশ"।

---



## "সুন্দৰ।"

নৰে কয় নাৰী তুমিয়ে সুন্দৰী,  
সবাৰো ই জগতত;  
নাৰীয়ে কইছে তুমিয়েহে নৰ  
সুন্দৰ মোৰ মনত।  
মিছিকাই হাঁহি প্ৰেমে মাতি কয়  
সুন্দৰ নোহোৱা কোনো;  
মোক চকুত লই নেচালে নোপোৱা  
সৌন্দৰ্য্য কতো এধানো।  
প্ৰেমৰ চকুৰে নেচালে সুবুজা  
অকণো সৌন্দৰ্য্যৰ মোল,  
বিশ্ব-প্ৰেমিকৰ জগত সুন্দৰ  
প্ৰেমত সৌন্দৰ্য্য তোল।

শ্ৰীযোগেশচন্দ্ৰ বৰা।

---

## ভক্ত তুলসীদাস।

অনুমান ষোড়শ শতাব্দীৰ শেষ ভাগত বিখ্যাত সম্ৰাট আকবৰ বাদচাহৰ ৰাজত্বকালত তুলসীদাসে জন্ম গ্ৰহণ কৰে। তেওঁৰ পিতাক আত্মাৰাম উত্তৰ-পশ্চিম প্ৰদেশৰ হস্তিনাপুৰ নগৰৰ এজন শুদ্ধাচাৰী আৰু পুণ্যবান বামুণ আছিল। পোনপ্ৰথমে আত্মাৰাম নিচেই সৰু কামত সোমায়। কিন্তু গুণগ্ৰাহী আৰু বিদ্যোৎসাহী সম্ৰাট আকবৰ বাদচাহে তেওঁৰ গুণৰ সমাদৰ কৰি তেওঁক এজন কৰ্ম্মচাৰীৰ পদত নিয়োগ কৰে। ইয়াৰ কিছুমান দিনৰ পাছত নিজৰ কাৰ্য্যদক্ষতা আৰু বিশ্বস্ততাৰ গুণত আত্মাৰাম বাদচাহৰ প্ৰিয়-পাত্ৰ হৈ উঠে।

এই সময়ত তুলসীদাস নিচেই সৰু আছিল। দিনৰ পাছত মাহ, মাহৰ পাছত বছৰ ঘূৰিবলৈ ধৰিলে; তুলসীদাসো সময়ৰ গতিৰ লগে লগে ডাঙ্গৰ

পঙ্কৰ জোনবদৰে বাঢ়ি আহিল। ক্ৰমে তেওঁৰ উপনয়ন হ'ল ; বাৰ বছৰ বয়সলৈকে কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰি তেৰ বছৰ বয়সত বিয়া কৰিলে। এই কথাৰ সত্যাসত্য "জোৰকৈ" কব নোৱাৰি ; কাৰণ তেওঁৰ বিষয়ে তেওঁৰ দোঁহাবলীত বাজে আন কোনো কথা পাবলৈ নাই টান।

বাল্যকাল অতীত হোৱাৰ পাছত তেওঁ তেওঁৰ ভাৰ্য্যা মমতা দেবীক নিজৰ ঘৰলৈ আনে ; আৰু ন-দম্পতীৰ ভালপোৱা পৰস্পৰৰ প্ৰতি এনে গভীৰ হয় যে ইজনে সিজনৰ বিৰহ এক মুহূৰ্ত্তও সহিব নোৱাৰা হৈ পৰে। বহুদিনলৈকে তুলসীদাসে মমতাদেবীক শহুৰেকৰ ঘৰলৈ পঠিৱা নাছিল। তেওঁৰ শহুৰেক আহিলেও তেওঁ নানা কথাৰ আছিলাত মমতাদেবীক নিজৰ ঘৰতে ৰাখিছিল। কিন্তু এদিন তুলসীদাস ঘৰত নথকাত মমতাদেবীক তেওঁৰ বাপেকে ঘৰলৈ লৈ যায়।

ইয়াৰ পাছত তুলসীদাসৰ জীৱনৰ ঘটনা সাধুশ্ৰেষ্ঠ বিল্বমঙ্গল ঠাকুৰৰ জীৱনেৰে সৈতে প্ৰায়ে মিলে। বিল্বমঙ্গল ঠাকুৰৰদৰে কাঠ ভাবি মৰাশ অৱলম্বন কৰি লৈ পাৰ হৈ আৰু জৰি ভাবি সাপ ধৰি দেৱাল পাৰ হৈ তুলসীদাসে শহুৰেকৰ ঘৰলৈ গৈ তেওঁৰ স্ত্ৰীৰে সৈতে দেখা কৰে। এই কথাত মমতাদেবী অলপ অসন্তুষ্ট হৈ কলে ;—"স্বামীন্, দাসী সদাই আপোনাৰ, কিন্তু আপুনি যদি আপোনাৰ অগাধ প্ৰেম ইষ্টদেৱ ৰাজৰাজ্যেশ্বৰ শ্ৰীৰামৰ চৰণত অৰ্পণ কৰে, তেনেহলে ভাবি চাওকচোন, সি ইয়াতকৈ কতগুণে ভাল।" শুনা যায় যে তুলসীদাসে ভাৰ্য্যাৰ কথা শুনি 'ৰাম-ৰাম' বুলি বাহিৰ ওলাই যায়।

তুলসীদাসে সন্ন্যাসধৰ্ম্ম অৱলম্বন কৰাৰ বিষয়ে অকে এটি প্ৰবাদ প্ৰচলিত আছে। তেওঁ এজন মুদৈৰ দোকানত কাম কৰিছিল। কোনো বস্তু গণিবৰ সময়ত মুদৈয়ে যেতিয়া 'এক্—এক্—একে ৰাম ; দুই—দুই—দুয়ে ৰাম ;" ইত্যাদি কৈ গৈছিল, সেই সময়ত তুলসীদাসে একমনে মুদৈৰ সেই এক্—ৰাম, দুই—ৰাম শুনি গৈছিল। পিছত এইদৰে এদিন 'তেৰ ৰাম' শুনি তেওঁ উচাপ খাই উঠে, আৰু তেতিয়াই "তেৰে ৰাম" অৰ্থাৎ "হে ৰাম, মই তোমাৰেই" ইয়াকে কৈ কৈ সেই দোকানৰপৰা বাজ ওলাই বলিয়াৰ দৰে লৰিবলৈ ধৰে। মুদৈ আৰু অইন অইন মানুহবোৰে তেওঁৰ



কাণ্ড দেখি তবধ মানি ৰয়। কিন্তু তেওঁক কোনেও ফিৰাই আনিব নোৱাৰিলে।

তুলসীদাসৰ জীৱনী বিস্মৃতি-এন্ধাৰত লুপ্ত ; বেছি কথা জানিবৰ কোনো উপায় নাই। আজিলৈকে কিন্তু তেওঁৰ উপদেশবাক্য কিছুমান দোঁহা শুনিবলৈ পোৱা যায়। যেনে :—

"তুলসী জগমে আইয়ে, সবসে মিলিয়া ধায়,
নাজানি কোন ভেকসে নাৰায়ণ মিল যায়।"

অৰ্থাৎ ;—তুলসীদাসে সংসাৰলৈ আহি সকলোৰে সৈতে মিলিজুলি চলিবলৈ ধৰিছে ; কাৰণ তেওঁ নেজানে যে নাৰায়ণ কোন ভেশত আহি দৰ্শন দিয়ে। মাথোন বাহিৰা দেখন-শুনন যে ধৰ্ম্মৰ অঙ্গ নহয়, তেওঁ তাক ভালকৈ বুজিছিল। প্ৰেম আৰু ভক্তিকেই সাধনাৰ প্ৰধান অঙ্গ বুলি তেওঁ প্ৰচাৰ কৰিছিল।

"ৰাম ৰাম সবকোই কহে, ঠক্ ঠাকুৰ ক্যা চোৰ।
বিনা প্ৰেম সে বীৰৎ নেহি, তুলসী নন্দকিশোৰ॥"

অৰ্থাৎ,—হে তুলসীদাস, কি সন্ত, কি দুষ্ট, কি চোৰ, কি সাধু সকলোৱেই 'ৰাম—ৰাম' কয় ; কিন্তু প্ৰেম-ভক্তি বিনে নন্দকিশোৰ শ্ৰীকৃষ্ণ কেতিয়াও প্ৰসন্ন নহয়।

তুলসীদাস বৰ করুণ হৃদয়ৰ আছিল। লোকৰ দুখ দেখিলে তেওঁ স্থিৰ হৈ থাকিব নোৱাৰিছিল। এই কাৰণে তেওঁ কৈ গৈছে ;—

"দয়া ধৰম কি মূল হৈঁয়, নৰক মূল অভিমান।
তুলসী মৎ ছোড়িয়ো দয়া, যও কণ্ঠাগত প্ৰাণ॥"

অৰ্থাৎ ;—দয়া ধৰ্ম্মৰ মূল, আৰু অভিমান নৰকৰ। এইবাবে হে তুলসীদাস, তুমি কণ্ঠাগত প্ৰাণ হলেও দয়া প্ৰবৃত্তি পৰিহাৰ নকৰিবা।

মনক জয় কৰিব নোৱাৰিলে, মনক দমন কৰিব নোৱাৰিলে কোনো সাধনাতে সিদ্ধি লাভ কৰিব নোৱাৰি। অসংযত চিত্ত লৈ ঈশ্বৰাধানাত বহিলে সেই মন ঈশ্বৰাধানাত প্ৰতিফলিত নহয়। সেই কাৰণে তেওঁ গাইছে ;—

"ৰাজা কৰে ৰাজ্য বশ, যোদ্ধা কৰে ৰণ জই।
আপন মন্‌কো বশ্ কৰে যো, সবকে সেৰা ওই।"

অর্থাৎ;—ৰজাই ৰাজ্য আৰু যোদ্ধাই ৰণ জয় কৰি প্ৰখ্যাত হব পাৰে; কিন্তু যি নিজৰ মনক জয় কৰিছে, তেওঁ সকলোতকৈ শ্ৰেষ্ঠ বুলি জনাজাত হয়। তুলসীদাসে সদাই দুখৰ সন্ধানত ফুৰিছিল। কাৰণ তেওঁ কৈছিল যে যি অৱস্থাত ঈশ্বৰৰ চিন্তা মনত উদয় হয়, সেই অৱস্থাই ভক্তৰ বাঞ্ছনীয়।

"তুলসী উহাঁ যাইয়ে, যাহাঁ আদৰ না কৰে কোই।
মন ঘাটে, মন মৰে, ৰামকো স্মৰণ হোই।"

অর্থাৎ:—হে তুলসীদাস, যত তোমাক কেৱেঁও আদৰ নকৰে, তুমি তালৈকে নিতৌ যাবা, কাৰণ তাত মনৰ লাঘৱ আৰু মনৰ মৰণ হোৱা বাবে এবাৰ নহয় এবাৰ পৰমেশ্বৰ মনত পৰিব।

সকলোতকৈ চৰা আৰু শিক্ষাপ্ৰদ, উদাৰ আৰু মহান সত্যৰ প্ৰকাশৰ নিমিত্তে তেওঁৰ নৈৰ্ব যন্ত্ৰৰ আভাস তলত দিয়া দোহাঁটিৰপৰা ভালকৈ বুজিব পৰা যায়। কুসংস্কাৰৰ ক্ষুদ্ৰ আবৰণৰ তলত নেথাকি জ্ঞান আৰু ভক্তিৰ জৰিয়ে বান্ধ খাই বিশ্বব্যাপী ঈশ্বৰৰ বিশ্বয়ে ৰূপৰ পূজা প্ৰচাৰ কৰাৰ চেষ্টাও এই দোহাঁটীৰপৰাই স্ফুকলমে অৱগত হোৱা যায়।

"সব্ বন্‌মে তুলসী ভয়েঁা, সব পাহাড় শালগ্ৰাম।
সব্ জলমে গঙ্গা ভয়েঁা, সব ঘটমে বিৰাজ ৰাম।"

অর্থাৎ:—হিয়া ভক্তিৰ সোঁতেৰে আৰু মন প্ৰেমৰ বন্যাৰে ভাঁহি গলে, যেই সেই বনেই মনত তুলসী গছৰ ৰূপ হয়, এনে কোনো পাহাড় পৰ্ব্বত নাই যি শালগ্ৰাম নহয়। প্ৰত্যেক নদ-নদীয়েই পুণ্যতোয়া তটিনী গঙ্গাৰ সদৃশ হয় আৰু পূজাৰ পবিত্ৰ ঘট এবি ও যেই সেই ঘটতে ৰামৰ বিৰাজ উপলব্ধি কৰিব পৰা যায়।

"জিনি"

---



# বিৰহিণী।

পঞ্চ শৰৰ পুষ্পবনত
বসন্তৰ মেলা,
মন্দাকিনী তীৰত বহি
কান্দে দেৱবালা।
উন্মনা তেওঁ নেচাঁয় ঘূৰি
শত নয়ন বাণ,
হিয়াত দুখৰ উৰ্ম্মি, চকুত
সন্তাপ উজান।
সন্মুখেদি পানীত ভাহে
ৰাজহংস জুৰি,
অন্তৰেদি বাগৰে হাঁয়
অমিয়া মাধুৰী।
ভাবৰ মহা সিন্ধু মাজত
নিজেই বিয়াকুল,
পুণ্য উজল চকু-লোৰে
তিয়ালে কপোল।
এটি থোৰত কুসুম-কলি
দুটিৰ অৱস্থান,
এটি পূৰ্ণ আতমা হই
মিলে দুটি প্ৰাণ।
সঙ্গিনী গই কাষত বহে,—
দৃষ্টিপাতো নাই,
হৃদয় কান্দে পৰাণ-সখীৰ
পথৰ পিনে চাই।
গছত ফুলে, ফুল বিতোপন,
পানীত শতদল,
হিয়াৰ মাজত অগ্নি-কুসুম
যৌবন টলমল।

শ্ৰীহৰ্য্যকুমাৰ ভূঞা।

# ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহা।

১৮৫৯ চনৰ ডিচেম্বৰ মাহত নাজিৰাত স্বৰ্গীয় কালীপ্ৰসাদ চলিহা ডাঙ্গৰীয়াৰ জন্ম হয়। তেখেতৰ পিতাক কৃষ্ণদাস চলিহা মজলীয়া অৱস্থাৰ মানুহ আছিল। তেওঁ এখন চাহ-বাগিচাত মহৰি কাম কৰিছিল। কৃষ্ণদাস চলিহাৰ পিতাক শিৱৰাম চলিহাই যোগ সাধনা কৰিছিল।

চলিহা বংশৰ প্ৰতিপত্তিৰ বিষয়ে কোৱা অনাৱশ্যক। কৱলগীয়া কথা যে আহোমসকলৰ ৰাজত্বৰ কালত চলিহা খেলৰ ভিতৰত চমুৱা নাছিল, চলিহা মাত্ৰেই বিষয়া আছিল।

কালীপ্ৰসাদ চলিহাই পোনতে পাঠশালাত পঢ়ে, তাৰ পাচত ন বছৰ বয়সত শিৱসাগৰ স্কুলত নাম লগায়। তেখেতে বৰ দুখেৰে পঢ়ে, ঘৰৰ অৱস্থা বৰ ভাল নাছিল। সহায় কৰোঁতাও কোনো নাছিল, মোমায়েক কৃষ্ণপদ দুৱৰাই মাথোন মাজে মাজে টকা পইচা দি সহায় কৰিছিল। ১৮৭৮ চনত তেখেতে দ্বিতীয় বিভাগত এণ্ট্ৰেন্‌চ "পাছ" কৰে, কিন্তু খৰচৰ অভাৱত কলেজলৈ যাব নোৱাৰিলে।

কলেজলৈ যাব নোৱাৰি চলিহা ডাঙ্গৰীয়াই ত্ৰিশ টকাত নাজিৰাৰ আসাম কোম্পানীৰ অফিচত কেৰাণী কাম কৰে আৰু ঘৰতে আইন পঢ়ে। তেওঁ এই দৰে এবছৰমান কাম কৰি ১৮৮২ চনত পি, এল্ পৰীক্ষা "পাছ" কৰে। পি এল্ "পাছ" কৰাটো কিমান টান তাক বোধকৰোঁ কব নেলাগিব। একেবাৰতে পি এল্ "পাছ" কৰা অসমীয়া উকীল নিচেই কমেই হে। চলিহা ডাঙৰীয়াই যে কেৰানী কাম কৰিও ইমান কম সময়ৰ ভিতৰতে এই পৰীক্ষা "পাছ" কৰিলে, সেটো তেখেতৰ জীৱনব্যাপী অধ্যৱসায়ৰ এটা প্ৰমাণ মাথোন।

পৰীক্ষাৰ পিছ বছৰ তেখেতে ব্যৱসায় আৰম্ভ কৰে। সেই সময়ত শিৱ-সাগৰত তেখেতৰ বাহিৰে ইংৰাজী জনা উকীল সৰহ নাছিল। উকীলি শিকোঁতে তেখেতে এজন পুৰণি উকীলৰ সহায় লব লগাত পৰিছিল। সেই উকীলজনে ইংৰাজী নেজানিছিল। এজন ইংৰাজী জনা মানুহ উকীল হ'লে তেওঁৰ প্ৰতিপত্তি কমিব এই ভাবি চলিহা ডাঙ্গৰীয়াক তেওঁ সহায় কৰক



ছাবি শিৱসাগৰৰপৰাই আঁতৰাবৰ মন কৰিলে। এনে সময়ত জনা বুজা উকীল শ্ৰীযুত অক্ষয়কুমাৰ ঘোষ মহোদয়ৰ হাতত তেখেতৰ ৰক্ষা হয়। সদাশয় ঘোষ মহোদয়ে নানা উপদেশ দি আৰু নিজৰ কিতাপ-পত্ৰ পঢ়িবলৈ দি চলিহা ডাঙ্গৰীয়াক শিক্ষিত কৰি তুলিলে। তাৰ পাছত তেখেত নিজেই এজন প্ৰতিষ্ঠাবান উকীল হ'ল গৈ। তেখেতৰ মাহিলি আয় এহেজাৰলৈকে হৈছিল। কিন্তু তেখেতৰ পৰিয়াল বৰ ডাঙৰ আছিল, পুহিব লগা মানুহৰ সংখ্যা বেছি আছিল, সেইবাবে তেখেতৰ সাঁচন অলপ কম হৈছিল।

উকীল হোৱাৰ অলপ পাছতে দামোদৰ বৰুৱাৰ জ্যেষ্ঠা কন্যাৰ লগত তেখেতৰ বিয়া হয়। কিন্তু দুৰ্ভাগ্যবশতঃ বিয়াৰ দুবছৰ মানৰ পাছতে অপুত্ৰক অৱস্থাত তেখেতৰ পত্নী বিয়োগ হয়। তাৰ পাছত চলিহা ডাঙ্গৰীয়াই মৃত পত্নীৰ ভনীয়েকক বিয়া কৰায়। এই বিয়া সুখৰ হ'ল। সিবিলাকৰ পাঁচোটি লৰা আৰু ছটী ছোৱালী হয়। শোকৰ বিষয়, প্ৰথম লৰাটিৰ আৰু দ্বিতীয় ছোৱালীটীৰ আকাল মৃত্যু ঘটে। চলিহা ডাঙ্গৰীয়াৰ বৰ্ত্তমান যিটি বৰ লৰা আছে তেওঁ বিলাতত বেৰিষ্টৰী পঢ়িছে, এটিয়ে কলেজত পঢ়িছে আৰু বাকীকেইটি স্কুলত।

উকীল হোৱাৰেপৰা চলিহা ডাঙৰীয়াৰ দেশসেৱাৰ আৰম্ভ হয়। তেখেত "লোকেল ব'ৰ্ড" আৰু "মিউনিচিপেলিটিৰ" মেম্বৰ নিযুক্ত হয়; অলপ পাছতে "লোকেল বৰ্ডৰ" "ভাইচ্ চেয়াৰমেন" হয়। তেওঁ এই কামত পাঁচ বছৰ মান হে আছিল; বৰটি লৰাৰ মৃত্যু হোৱাত কাম এৰে। কিন্তু তেখেত মৰণৰ সময়লৈকে "লোকেল বৰ্ডৰ" "ভাইচ চেয়াৰমেন" হৈ আছিল। ডেৰকুৰি বছৰ এই কাম তেখেতে যোগ্যভাবে সৈতে চলাইছিল। ইমান দিন একেজন মানুহকে একেটা কামৰ কাৰণে ৰাইজে বাছি থকাটো তেখেতৰ ওপৰত মানুহৰ যি বিশ্বাস আছিল তাৰ পৰিচায়ক মাথোন।

চলিহা ডাঙৰীয়াই উকীল হোৱাৰ অলপ দিনৰ পাছতে কিছুমান ছাত্ৰক খৰচ দি পঢ়াইছিল। মুঠতে কবলৈ গলে, তেখেত ছাত্ৰৰ বন্ধু আছিল। বহুত দিনৰ আগেয়ে এণ্ট্ৰেন্‌চ পৰীক্ষা "পাছ" কৰা অসমীয়া ছাত্ৰ মাত্ৰেই বৃত্তি পাব লাগে এই সূত্ৰে এটা আন্দোলন চলিছিল। চলিহা ডাঙৰীয়াই এই উদ্দেশ্যে অশেষ চেষ্টা কৰে। চীফ কমিশ্যনৰ ওৱাৰ্ড চাহাবে এই বৃত্তি

মঞ্জুৰ কৰিছিল, কিন্তু অলপ দিনৰ পাছতে আন এজন চীফ কমিস্তনৰে এই নিয়ম বদ কৰে।

গুৱাহাটীত কলেজ পাতিবৰ কাৰণে পোন প্ৰথমতে শিৱসাগৰৰ মানুহেই চৰ্কাৰৰ ঘৰত আবেদন কৰে। এই বিষয়ে চলিহা ডাঙৰীয়া এজন প্ৰধান খাটোঁতা। তেখেতে চীফ কমিশ্যনৰ কটন চাহাবক কলেজ দিবৰ কাৰণে ৰবকৈ খটাত প্ৰজাৰঞ্জক শাসনকৰ্ত্তাই কলেজ দিম বুলি একপ্ৰকাৰ অঙ্গীকাৰ কৰে।

শিৱসাগৰত "কটন-লাইব্ৰেৰী" পতাৰ মূলতো চলিহা ডাঙৰীয়া। তাত তেখেতৰ নিজৰ কিতাপো কেইখনমান আছে। তেখেতৰ নিজৰো আইনৰ কিতাপৰ এটি সুন্দৰ লাইব্ৰেৰী আছে, তাত প্ৰায় এহেজাৰখন ভাল ভাল কিতাপ আছে। ইয়াৰপৰা বুজিব পাৰি তেখেতে আইন বিষয়টো কিদৰে খুঁত নৰখাকৈ পঢ়িছিল।

উকীল কাম কৰোঁতে টকা ঘটাই তেখেতৰ একচিতীয়া লক্ষ্য নাছিল; দয়া দাক্ষিণ্য যথেষ্ট আছিল। এবাৰ চলিহা ডাঙৰীয়াৰ টান নৰিয়া হয়। অলপমান গা ভঙাওতেই দুখুনী বাঁৰী মানুহ এগৰাকী তেখেতক উকীল ধৰিবলৈ আহে। বাঁৰী গৰাকীক কোনোবা এজনে অন্যায় কৰি নিজ সম্পত্তিৰপৰা বঞ্চিত কৰিছিল। দয়ালু চলিহা ডাঙৰীয়া সম্পূৰ্ণ আৰোগ্য নোহোৱা স্বত্বেও আদালতলৈ গ'ল। জজৰ ফালে মোকৰ্দ্দমা হয়। নৰিয়াৰ হেতু চলিহা ডাঙৰীয়াক এখন চকিত বহি কৰলৈ দিয়া হৈছিল, কিন্তু জুৰিৰে সৈতে থিয় হৈ বাদপ্ৰতিবাদ কৰোঁতে বৰ কষ্ট পায়, অন্তত অচল হৈ পৰে। সত্যৰ জয় হোৱাটো স্বাভাবিক। কোনোমতে নিজৰ বক্তব্য কৈও চলিহা ডাঙৰীয়াই জয়লাভ কৰে। মানুহ গৰাকীও তেখেতৰ কৃপাতে ৰক্ষা পৰে। কোৱা বাহুল্য মাথোন, এই গোচৰত তেখেতৰ ধনিষ্ঠামানো টকাৰ কাৰবাৰ নাছিল। তেখেতৰ দয়াৰ এনে উদাহৰণ বিৰল নহয়।

লাহে লাহে দেশত চলিহা ডাঙৰীয়াৰ সন্মান বাঢ়িবলৈ ধৰিলে। আসামৰ চীফ কমিশ্যনৰসকলে তেখেতক দেশৰ এজন নায়ক বুলি যথেষ্ট আদৰ কৰিছিল। আসামৰ চিফ কমিশ্যনৰ কটন চাহাবেৰে সৈতে মৰণৰ সময়লৈকে তেখেতৰ চিঠিপত্ৰ চলিছিল। ১৯০১ চনৰ ৰাজ অভিষেকলৈ যি পাঁচজন



অসমীয়া ভদ্ৰ লোকক নিমন্ত্ৰণ কৰা হৈছিল, চলিহা ডাঙৰীয়া তেখেতসকলৰে এজন। এবাৰ তেখেতে দেশহিতৈষিতাৰ কাৰণে এখন "চাৰ্টিফিকেট" পায়। ১৯১২ চনত হোৱা দিল্লীৰ দৰবাৰলৈকো তেখেত গৈছিল। এইবাৰো এখন "চাৰ্টিফিকেট" পায়। চৰ্কাৰৰ ঘৰৰ সকলো সভা সমিতিলৈকে তেখেতক মতা হৈছিল। খিলঙত হোৱা প্ৰায়বিলাক সভালৈকে তেখেত গৈছিল। এদিন চলিহা ডাঙৰীয়া "কাউন্সিলৰ" সভ্যও হ'লহেঁতেন।

ভাং কানিৰ বিষয়ে অনুসন্ধান কৰিবৰ কাৰণে চৰ্কাৰে যি এখন সভা গঠন কৰে চলিহা ডাঙৰীয়াও সেই সভাৰে এজন সভ্য আছিল। এই সময়তে তেখেতে আসামখন এবাৰ চাই লবলৈ সুযোগ পায়। অনুসন্ধানৰ শেহত তেখেতে যি "ৰিপৰ্ট" লিখে চৰ্কাৰে সেই ৰিপৰ্ট আন সকলোবিলাকতকৈ শ্ৰেষ্ঠ বুলি তেখেতলৈ লিখিছিল। এই কামৰ কাৰণে তেখেতে এহেজাৰ টকা বঁটা পায়। ১৯১৩ চনত চলিহা ডাঙৰীয়া ৰজাঘৰীয়া সন্মানৰ ওখ খাপত উঠে, সেইবাৰ তেখেতে ৰায় বাহাদুৰ খিতাপ পায়।

চলিহা ডাঙৰীয়াৰ স্বাস্থ্য আগৰেপৰা ভাল নাছিল। ১৯১২ৰেপৰা আৰু বেয়া হয়। সেইবাৰ দিল্লীৰ দৰবাৰলৈ যাওঁতেই তেখেতৰ গা বৰ বেয়া আছিল। দিল্লীৰপৰা কলিকতালৈ আহি ডাক্তৰৰ হতুৱাই পৰীক্ষা কৰাই তেখেত পুৰীত মাহদিয়েক থাকে। সেইবাৰে ঘৰলৈ উভতি আহোঁতে গা আগতকৈ ভাল হৈ আহিছিল। কিন্তু ১৯১৩ চনত তেখেতে বগীৰপৰা পৰি বিষম আঘাত পায়, আৰু সেইবাৰ অক্টোবৰ মাহত হোৱা খিলঙৰ দৰবাৰলৈকো যাব নোৱাৰিলে। তাৰ পিছ বছৰ বহুমূত্ৰ ৰোগে দেখা দিয়ে। এই ৰোগৰপৰা তেখেতে মুক্তি নেপালে। ১৯১৪ চনত ১২ এপ্ৰিলৰ দিনা চলিহা ডাঙৰীয়া স্বৰ্গী হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স ৫৫ বছৰ। মৰণৰ দিনা চতৰ ২৯ দিন গৈছিল, বিহুৰ ওচৰতে। সেইবাৰ শিৱসাগৰত আৰু হুচৰি গোৱা নহল, বং ধেমালিৰে বিহুৰ উৎসৱ নহল। গাঁৱলীয়া মানুহৰ তেখেতৰ প্ৰতি যি শ্ৰদ্ধা আছিল এইটো তাৰ জ্বলন্ত চিন।

চলিহা ডাঙৰীয়াই তেখেতৰ লৰা ছোৱালীৰ কাৰণে যথেষ্ট সম্পত্তি এৰি গৈছে। তেখেতৰ দুখন চাহ বাগিচা এতিয়া ভালকৈ চলিছে, আৰু দুঠাইত তেখেতৰ ভাগ আছে।

চলিহা ডাঙৰীয়া মানুহজন সৌম্য প্ৰকৃতিৰ আছিল, তেখেতৰ চেহেৰা আমন-জিমন, বেছি প্ৰফুল্ল নাছিল।

ধৰ্ম্মৰ বিষয়ত তেখেত নিষ্ঠাবান্ আছিল, শুচি অশুচিৰ বিচাৰত ব্যস্ত নাছিল। প্ৰত্যেক কথাতে তেখেতৰ সৌম্য প্ৰকৃতিয়ে দেখা দিছিল।

স্বৰ্গগত চলিহা ডাঙৰীয়াৰ দোষ গুণৰ নিৰপেক্ষ সমালোচনা কৰা, কিংবা তেখেতৰ জীৱনৰ প্ৰত্যেকটো কাৰ্য্য সমাজৰ তুলাচনীত জোখা বৰ্ত্তমান প্ৰবন্ধৰ উদ্দেশ্য নহয়। এই প্ৰবন্ধ ৰায় বাহাদুৰ কালীপ্ৰসাদ চলিহাৰ জীৱন-চৰিত নহয়, পৰিচয় মাথোন, কিন্তু ইয়াৰপৰাই পাঠকে ফট্‌ফটীয়াকৈ বুজিব পাৰিব যে তেখেত লোকৰ কপালৰ বলত ডাঙৰ হোৱা মানুহ নহয়, নিজ বুদ্ধি আৰু নিজ পৰিশ্ৰম তেখেতৰ প্ৰতিষ্ঠাৰ মূল ভেটি আছিল।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ।

---

## তুমি।

নোহোৱা নোহোৱা তুমি সৰগৰ তৰা,
নোহোৱা নোহোৱা তুমি "পৰি" অপেচৰা ;
দেখোতে তোমাত যেন একো নাইকিয়া,
তাতে দেখোঁ আছে কিবা টানি নিয়ে হিয়া।
নোহোৱা নোহোৱা তুমি ৰূপৰ আকৰ,
নোহোৱা নোহোৱা তুমি গুণৰ আধাৰ ;
চাবলৈ গলে একো নোহোৱা নোহোৱা,
তাতে যেন আছে কিবা কতো নাইকিয়া।
দেখিছোঁ তোমাক মই লোকৰ লগত,
জঁয় পৰি যোৱা তুমি আনৰ আগত ;
নোৱাৰি তোমাক কব ক'তো নাইকিয়া,
তাতে যেন পাওঁ কিবা মৰম লগোৱা।
কি যে মোহিনী এটো বুজিব নোৱাৰোঁ,
যতেকে এবাৰ খোজে ততেকতে বুৰোঁ।

মজিদুৰ ৰহমান।



# খাম্‌তী *

## উৎপত্তি।

খাম্‌তী মানে (তাইাতৰ দোবান মতে) সোণৰ ঠাই। খাম্‌তী ইন্দ্ৰবংশীয় বুলি কয়। 'খুনলুং' 'খুনলাই'ৰ লগৰীয়া ছজন কোৱঁৰ স্বৰ্গৰপৰা আহি 'খোংহি' 'খোংহান' নামৰ ঠাইত হেনো ৰজা হয়। অনেক পুৰুষৰ পাছত খুনচামলো নামৰ এটা মানুহে তাৰপৰা নামি আহি সদিয়াৰ পূবলৈ থকা ওপৰ বৰ-খাম্‌তীত আকৌ ৰজা হয়। এই খুনচামলোৰ তিনটা পুতেক। তিতীয় পুতেক আহি আসামৰ এডোখৰ ঠাইত ৰাজ্য পাতি বহুদিন ৰাজপাট খাইছিল। খামতীইঁতে কোৱা মতে এই ৰাজ্যৰ সীমা, পূবে পাটকাই পৰ্ব্বত, পছিমে সোৱণশিৰী মুখ, উত্তৰে পৰ্ব্বত শ্ৰেণী আৰু দক্ষিণে বুঢ়ী দিহিং আৰু ব্ৰহ্মপুত্ৰ নৈ। তাইাতৰ বুৰঞ্জী মতে ইয়ালৈ অহা ৪০০ বছৰৰ ওপৰ হৈছে।

## ইতিহাস।

আসাম ৰজাৰ অনুমতি লৈ খামতীইঁতে পোন-প্ৰথমে আহি টেঙাপানী নৈৰ দাঁতিত বহেহি। ১৭৮০-৯০ চনত ৰজা গৌৰীনাথ সিংহৰ দিনত যেতিয়া ভাই ককাইৰ ভিতৰত ৰাজ্য লৈ খোৱা-কামোৰা লাগে তেতিয়া খামতীইঁতে চেলু পাই সদিয়ালৈ ভটীয়াই আহি তাতে গাওঁ পাতেহি। তাইাতে সদিয়াখোৱা আহোম গোহাঁইক ভাগি তাইাতৰ নিজৰ মূখীয়াল মানুহ এজনক সেই নাম আৰু খিটাপ দিয়ে। সেই সময়ত আসামৰ ৰজা সিমান পৰাক্ৰমী নাছিল। গতিকে খাম্‌তীইঁতে যিহকে যিহকে কৰিছিল তাকে তাকে ভাল বুলি কৰলগীয়া হৈছিল। সদিয়া অঞ্চলৰ খামতীইঁতে পতা শাসনকৰ্ত্তাজনকে প্ৰকৃত সদিয়াখোৱা গোহাঁই বুলি মানি লৈছিল আৰু

---

* এই প্ৰবন্ধৰ এফেৰা ১৮২৪ শ'কৰ "বিজুলীত" প্ৰকাশ হৈছিল। এই "বিজুলী" খিলঙৰ চিৰৰপৰা নাবিছিল। তাৰ গোহৰ দুই এঠাইত আৰু দুই একৰ চকুত হে পৰিছিল। এতিয়া "বাঁহী"ৰ সুৰত সকলোৱেই কাণেকে শুনিবলৈ পাব বুলি আশা কৰা গল।

সেই অনুসৰি ইংৰাজ চৰ্কাৰেও তাকে কৰিছিল। কিন্তু ১৮৩৯ চনত খামতী-ইতে ইংৰাজৰ বিৰুদ্ধাচৰণ কৰি সদিয়াত থকা চিপাহী কটাছিন্না কৰাত আৰু এই হত্যাকাণ্ডত পলিটিকেল এজেণ্ট আৰু ইংৰাজ সেনাধ্যক্ষ কৰ্ণেল হোৱাইট চাহাবৰ জীৱলীলা শেষ কৰা বাবে তাঁহাত সদিয়া এৰি পলাই যাব লগা হল। •বছৰচেৰেকলৈ অনাই-বনাই ফুৰি শেহত তাঁহাতৰ পুৰণি ভেটিৰ চুকেকাণে থান-থিত লয় গৈ। টেঙ্গাপানীৰ চাপৰিত যত তাঁহাতৰ পুৰণি ভেটি আছে সেই ঠাইডোখৰ কিমান যে মনোৰম, তলত্ দিয়া এজন য়ুৰুপীয় ভ্ৰমণকাৰীৰ বিৱৰণৰপৰা বেছকৈ বুজিব পাৰি :—

"Two days poling along the ready banks of the Brahmaputra brought our dug-out to the mouth of the Tengapanee entering which we glided into a stream and commenced working against a strong current. An impenetrable jungle grew to the water edge on either bank and the stream was so narrow that the great limits of the forest trees in many places almost formed a canopy overhead casting a sombre hue in keeping with the solemn silence which reigned around. Ever and anon the men wou'd strike up their boat song which echoing through the forest wood startle myriads of parrots from the leafy perch high overhead ; there forming themselves into cloud like blocks, would perform the most wonderful evolutions of flight while they filled the air wiih their sharp shrill screams. Often as we went along, a troop of monkeys would follow us leaping from tree to tree with marvellous agility and as though in mockery at our trady progress, the whole troop would throw themselves right over our heads from the boughs of the trees on one bank to those on the other and then scamper off into the jungle where their hobgoblin chatter would die away in the distance like the waking remembrance of the sounds heard in some horrible nightmare. After such disturbances as these the prevailing silence of this wild country seemed more intense. At the end of our first day's journey up the Tengapanee, we camped for the night on a small grassy island in mid river where the river had widened out. A more lovely spot I have never beheld. The flat grassy island some 50 yards long ando 20 wide was spread like a bright green carpet on the river which looked like a floor of polished ebony so black was it from the shade cast by the leafy walls of the trees on either bank. The view upstream closed only when the distant perspective after forming a perfect avenue near a mile in length seemed to unite both banks in a distant haze and as though nature has condescended to take a lesson from the art of man a row of plaintain trees with their long graceful leaves formed an even hedge of brilliant green about 12 feet high along both sides of the avenue.

I pitched my blanket tent on the upper end of the island and lighted a fire in front while my men- kindled a large watchfire a few paces off and as the smoke ascended through the still air in tapering colums it seemed as though the last touch of this lovely picture was complete. We remained on this island for 3 days and 1 day's poling from this place brought us to Chokham village the seat of a Khamti Chief called the Chowsam Raja Gohain."



### খেল।

খামতীইঁতৰ ভিতৰত বহুত দল বিভাগ আছে একো একো দলৰ নাম খেতি আৰু পানীৰ নামেৰে ৰাখে! যেনে :—'লুক্‌খুন,' 'লোংগেং', 'খোংয়াক,' খোংলং', 'চখুন', 'চেভাই', 'খানলো' ইত্যাদি। প্ৰধানতে কিন্তু তাঁহাতৰ ভিতৰত দুবিধ মানুহ আছে ; 'লুকাম্' ( পাইক ) আৰু 'ফুভাই' (ভাল মানুহ )।

### চৌচাম গোহাঁই আৰু তেওঁৰ গাওঁ-ভূঁই।

খামতীইঁতৰ এজন ৰজাক ইংৰাজেও অলপতে ৰজা উপাধি দি বিভূষিত কৰিছে। তেওঁৰ মান আৰু পদপী আগতকৈ সৰ্ব্বসাধাৰণৰ চকুত বহুত বাঢ়িল। এওঁৰ নাম ৰজা চৌচাম গোহাঁই। পৰশুৰাম কুণ্ডলৈ অহা যোৱা কৰা যাত্ৰীসকলৰ সংস্ৰৱত সততে অহাত এওঁক বহুত ঠাইৰ বহুত মানুহে

জানে। তেওঁৰ গাওঁ কুণ্ডলৈ যোৱা বাটতে। ৰজাই লগত যাবলৈ বাট দেখুওৱা মিছিমি মানুহ নিদিলে কোনো যাত্ৰীয়েই এখোজকে আগ বাঢ়িব নোৱাৰে। এই সহায় পাবলৈ হলে প্ৰত্যেক মানুহৰ বাবে ৰূপ ৫ টকা আৰু কানী এটোলা নে দুটোলা দি ৰজাক মান ধৰিব লাগে। কুণ্ডলৈ যোৱা বাট বৰ হাবি-তলীয়া আৰু বাঘ ভালুক থকা বুলিও, তাত বিশেষ সৌন্দৰ্য্য আছে। "The scenery is excellent and inspires in one visiting the place a new life as it were" বুলি ৰায় চাহেব পণ্ডিত মাতাদিন শুকুলে তেওঁৰ Parasuram kund and its route পুথিত লেখিছে। বাস্তবিকতে এই ঠাইবিলাক বৰ উপাদেয়, চালে মনত এক অভাবনীয় সুখ সন্তোষ আৰু শান্তি লাভ কৰিব পাৰি। এজন ফৰাচী যুৱৰাজে বহুত পৰ্ব্বতে-পাৰতে ঘূৰি এই ঠাই চাই কেনে পাইছিল তেওঁৰ কিতাপৰপৰা অনা তলত দিয়া টোকাৰপৰা বুজা যায়:—

"Our route for about a mile lay along the right bank of the Tengapanee river, then led off through dense free jungle whicd had overgrown the site of a large Khamti village built by Chowsam's father, but abandoned after the Khamti defeat at Sadiya. Leaving these faint traces of man's industry we entered deeper into the forest The order of march of the party consisting of 12 men & 2 slaves had been arranged by Chowsam & was never afterwards varied * • as we strode silently along in the twilight of the forest with a canopy of dense foliage overhead, a full sense of the wild life opening before us made my heart leap again and seemed as we penetrated further into the wilderness to throw off the lethargy of months and to breathe with freedom. Our home for sometime would be forest a delightful prospect ; nothing could exceed the beauty of the luxuriant foliage which shaded us from the noonday sun. The tall Poma tree and the giant-like Simolu towering above trees of similar growth let down from their branches festoons of ratans which hung gracefully on the lesser trees as though placed there by the hands of



wood nymphs. Offen as we walked along uuder these dense masses of foliage the sound of our footsteps would disturb a colony of hullock monkeys which scampered off uttering the mournful screams of hullu hullu. After a march of 25 miles we reached Kamlongpanee a branch of Tengapance Two days short marches from the Kamlong river through dense jungle brought us on the right bank of the Brahmaputra a few miles below the Brahmakunda."

এইবিলাক ঠাই চেউচাম ৰজাৰ অধিকাৰত; ইংৰাজৰ ক্ষমতা ইয়াত নাম-নিমিত হে।

## ধৰ্ম্মবিশ্বাস আৰু উৎসৱ।

খাম্‌তী প্ৰায়বোৰেই বৌদ্ধধৰ্ম্মী। ধৰ্ম্মযাজকসকলক বাপু বোলে। বাপুসকল থকা ঠাইক বাপুচাঙ বোলে। বাপু বুলি এটা বেলেগ জাত নাই বা বাপুৰ লৰা-ছোৱালীহে বাপু হব পাৰে সিও নহয়। যাৰে তাইঁতৰ ধৰ্ম্মসম্বন্ধে ভাল জ্ঞান হয় সিয়েই বাপু হব পাৰে। বাপু হলে কিন্তু সংসাৰত্যাগী হব লাগিব আৰু বিয়াবাৰু কৰাব নোৱাৰে। বাপুহঁত নিচেই নিমাখিত ভাৱে থাকে। দাঢ়ি মূৰ চুলি খুৰাই গেৰুৱা কাপোৰ পিন্ধে আৰু হাতত মলাগুটি লৈ ফুৰায়। খামতীহঁতৰ নামঘৰক 'ফায়া' বোলে। ইয়াৰ ভিতৰখন বৰ ধুনীয়া কাঠৰ ফুলবছা কাম-কাজেৰে ভৰা। ৰাতিপুৱা ৰাতিপুৱা বাপুসকল ভিক্ষা কৰিবলৈ গাৱঁলৈ ওলায়। এটা সৰু লৰাই এটা সৰু টিলিঙা বজাই বজাই আগত যায়। এখন হাতত এটা কাঠৰ সৰু পেৰা থাকে। সেই পেৰাত প্ৰত্যেক গৃহস্থই যাৰ যেনে ভিক্ষা দিব পৰা শক্তি থাকে দিয়ে। টিলিঙাৰ শব্দ শুনিলেই তিকতাবোৰে হাতত ভিক্ষা লৈ দুৱাৰমুখত থিয় দি থাকে। ওচৰ পোৱা মাত্ৰে সেই পেৰাত ভিক্ষা বৰ আনন্দ আৰু ভক্তিৰে ভৰাই দিয়ে। তেতিয়া বাপুৱে আশীৰ্ব্বাদ দিয়ে আৰু এই আশীৰ্ব্বাদ সিইঁতে মূৰ দোৱাঁই লয়। এই দৃশ্য দেখিলে মন পবিত্ৰ হয়। তিকতাবোৰে নিজে ৰন্ধা আহাৰাদিহে ভিক্ষা দিয়ে। ভিক্ষা দিয়াটো তিকতা-ইঁতৰ এটা কৰিবলগীয়া কামৰ ভিতৰৰ। খামতীহঁতৰ কিছুমানে আন পৰ্ব্বতীয়া জাতিবলৰে দেও-পূজা কৰে। ইহঁতৰ উৎসৱ বাতেই তাকৰীয়া। প্ৰায়

বোৰ উৎসৱ খেতি বোৱা আৰু দোৱাৰ লগে লগে হয়। 'নেকুং' মাঘ মাহৰ পূৰ্ণিমাত হয়। ইয়াত 'লুক্কিদোপং' (মেজি) পোৰে। আৰু গা-পা ধুই শুচি হৈ মিটিৰ কুটুমৰ ঘৰত খোৱামেলা কৰে। তাহাঁতৰ প্ৰধান উৎসৱ হৈছে 'অ'প'ক'। ই আষাঢ়ৰ পূৰ্ণিমাত আৰম্ভ হৈ আহিনৰ পূৰ্ণিমাত ভাগে। প্ৰত্যেক সপ্তাহত এদিনকৈ লখোনে থাকি 'ফায়াত' ( নাম-ঘৰত ) বয়স চাই ৫।৮।১০ 'চিল্' ( নাম ) লব লাগে। কাতি মাহত 'কিমিং' ( ন-খোৱা ) হয়। ইয়াত ধান উছৰ্গা কৰে। ভাদৰ পূৰ্ণিমাৰ দিনা বাপুহঁতক হাদম কৰ দিয়ে। বাপুহঁতক ধন বিত দিয়া নিয়ম নাই। দেও-পূজা কৰাবোৰে মদ, গাহৰী কুকুৰাৰে ফিমং, ফিফা ( চৰগ দেওৰ ) পূজা পাতে।

## বিয়া-বাৰু।

ইহঁতৰ বিয়াৰ নিয়ম-কাৰণ যাতেই ঢিলা। বিয়া কৰাবলৈ হলে পোনতে তামোল পাণ কটাব লাগে। যদিহে দুইপক্ষ ৰাজী হল তেন্তে ছোৱালীৰ গা-ধন ঠিক কৰিব। গা-ধন দিলেই বিয়াৰ কাম-কাজ সিমানতে শেষ হয়; আন একো কাৰ্য্য নকৰে। ইহঁতৰ ছোৱালীৰ বেচ হলে বৰ বেছি। সামান্য মানুহ এটাই ১০০।১৫০ টকাৰ কমে বিয়া কৰাব নোৱাৰে। অলপতে সদিয়াত এটা খাম্তীৰ ছোৱালী নিয়া মোকৰ্দ্দমা হৈছিল। ছোৱালীৰ ফালৰপৰা ৮০০ টকাৰ দাবি কৰিছিল, ৬০০ টকা দি কোনোমতে লেঠা মিটে। ককায়েক মৰিলে তাৰ ঘৈণীয়েকজনী, সৰু যেই সেই এটা দেওৰেকলৈ যাব পাৰে। ইচ্ছা নহলে অইনলৈকো যায়। কিন্তু তেতিয়া দেওৰেকহঁতে গা-ধন আৰু তাইৰ পোহ পালৰ খৰচ বিচাৰিব। ছোৱালী গাভৰু বা কন্যাকাল আৰু লৰা ডেকা হলে বাপেক মাকৰ ঘৰত থাকিবলৈ নিদিয়ে বা নেপায়। গাভৰু ছোৱালী আৰু ডেকা লৰাৰ কাৰণে গাৱঁৰ মুৰে দুটা বেলেগ বেলেগ সুকীয়া ঘৰ আছে। তাত হে তাহাঁতে নিজা ঘৰ বুলি থাকিব মেলিব, দিনৰ ভোখৰত হলে বাপেক মাকৰ ঘৰত আহি বন-বাৰিও কৰিব আৰু খাব চিতিবও। কিন্তু নিশালৈ কোনো শকত কাৰণ নৈয়ো থাকিব নোৱাৰে। ছোৱালীবোৰৰ ঘৰলৈ কোনো মতাই ৰাতি ভুমুকিকে মাৰিব নোৱাৰে। আন কি কোনো মাইকীৰ ওপৰত চোভা



হলে সেই মাইকীক তাত আৰু ভৰি দিবলৈ নিদিয়ে। এই ঘৰক 'মুছৰ' বোলে। এই মুছৰ ঘৰৰ ওচৰত যেতিয়া বেলি মাৰ যাওঁ যাওঁ হয়, ডেকা গাভৰু জাকে জাকে লগ লাগি ওলাই-সোমাই ফুৰা দেখা যায়। সন্ধ্যা লগা মাত্ৰে আঁতৰাআঁতৰি হয়। তেতিয়া শান্তনাসূচক মৰমৰ কথাৰে পৰস্পৰ বিদায় লোৱা-লোৱি কৰে। ৰাতিপুৱা সেইদৰে ডেকাবোৰে নিজৰ নিজৰ মৰমৰ গাভৰুহঁতক লৈ মাক বাপেকৰ ঘৰলৈ যায়। গাভৰুহঁতে ৰাতিপুৱাই উঠি নৈত গা-পা ধুই ধুনীয়া একুটাহঁত হৈ নিজৰ নিজৰ মৰমৰ ডেকালৈ বাট চাই চাই থাকে। ইহঁতৰ অবৰোধ প্ৰথা নাই। সেই বুলি ব্যভিচাৰ নাই আৰু কোনো চৰিত্ৰদোষ নঘটে। The Shan tribes have no idea of Purdah i. e. secluding the females, they all go to market, pay visits in a very independent manner and the Khamti women have not suffered in character from the free-dom allowed them—Col. Dolton. The morality of the Khamtee village is a pleasing contemplation--Prince Orleans.

## ঘৰ-দুৱাৰ।

সাধাৰণতঃ খামতীবোৰে চাং-ঘৰত থাকে। দুচলীয়াঁ কৰি ঘৰটো সাজে। চাল দুখন একেবাৰেই মাটিত লাগেগৈ। বেৰ দিয়াৰ আৰু কোনো আৱশ্যক নেথাকে। মুখৰ এডোখৰ ঠাই মুকলি কৰি থয়। আলহি-দুলহি আহিলে তাতে শোধা-পোছা কৰে। ভিতৰত মানুহ চাই কেইবাটাও কুঠৰী কৰে। যত জুই ধৰে সেইডোখৰৰ চাং কাটি পেলায়। ঘৰৰ মুখত জৰী লগাই সৰু এখন চাং ওলোমাই থয়। তাত মাটি দি চৌকা পাতি জুইশাল কৰে। ৰজাহঁতৰ ঘৰৰ চাং কাঠৰ। সেইবোৰ ঘৰত টুপ আৰু বৰান্দাও থাকে।

## অন্তেষ্টী-ক্ৰিয়া।

খাম্তীহঁতৰ মৰাশৱ পোটেও পোৰেও। মৰাটো তৎক্ষণাত নিনিয়ে। পোনতে ভালকৈ ধুৱাই-পখলাই এটা সৰু পেৰাত মন্ত্ৰমাৰ নিচিনা এবিধ কাপোৰেৰে মেৰিয়াই থয়। তেতিয়া আৰু এটা ডাঙৰ ফুলাম কাম-কাজ কৰা পেৰা সজায়। সেইটো নোহাৱালৈকে শৱটো ঘৰতে ৰাখে। সেইটো

হঁওতে কুৰি দিন, এমাহ লাগে। তাৰ পাছত তাত সুমাই মৰিশালিলৈ লৈ গৈ দক্ষিণ-পছিম ফালে ভৰি কৰি উত্তৰ-পূৱ মুৰাকৈ মূৰ কৰি চিতাত তুলি দাহ কাৰ্য্য কৰে। অশৌচ উপবাস একো নাই। অপঘাতত মৰিলে মাত্ৰ তিন দিনলৈহে শৱটো থয়।

## ৰণৰ অস্ত্ৰ-শস্ত্ৰ।

খামতীবোৰ আগেয়ে বৰ ভাল ৰণুৱা আছিল। উন্নত সভ্য দেশৰ ৰণ-শাস্ত্ৰমতে ইহঁতেও যুদ্ধ-বাগ কৰিব জানিছিল। দা, ঢাল, জাঠি, হিলৈ ধেনু কাঁড় এই আটাইবোৰেই ৰণৰ অস্ত্ৰ আছিল। অনভ্যাসে হতাবিদ্যাৰ নিচিনা আজিকালি ইহঁতে ৰণৰ আওভাও আৰু কৌশল সমূলি পাহৰিলে বুলিয়েই কব পাৰি।

## কাৰিকুৰি।

বাপুসকলে আজৰি পালে কাঠৰ, হাতীদাঁতৰ বা অইন জন্তুৰ হাড়ৰ কাম-কাজ কৰে। এই কামত এওঁবিলাক বৰ পাকৈত। ধুনীয়া ধুনীয়া দা কুঠাৰৰ ফাঁক সজাত আৰু নানান অদ্ভুত জন্তু আদিৰে নক্সা গঢ়াত বাপুসকলক কোনেও চেৰ পেলাব নোৱাৰে। খামতীহঁতৰ ৰজাবোৰৰও এনেকুৱা কাম কৰা সহজ আছে। তেওঁবিলাকে সোণৰ আৰু ৰূপৰ কাম কৰে আৰু লোও গঢ়ে-পিটে। তৈণীয়েকহঁতৰ অলঙ্কাৰ-পাতি তেওঁবিলাকেই নিজ হাতে কৰি দিয়ে। গঁড়ৰ আৰু মহৰ চালৰ ঢাল কৰে। তাত অইন কাম-কাজ কৰি নিজৰ ৰুচিৰ আৰু কাৰ্য্যতৎপৰতাৰ চিনাকি দিয়ে। তিৰুতাবোৰেও সেইদৰে ধুনীয়া ধুনীয়া মোনা আৰু অইন ভালেমানে চকুত লগা বস্ত্ৰ-বেজানি বেচিবলৈ কৰে।

## ঘৰুৱা আৰু ৰাজকীয় কামত তিৰুতা।

অকল ঘৰুৱা কামতহে তিৰুতাবিলাকে নিজৰ পাৰ্গতালি দেখুৱাব পাৰে এনে নহয়। ৰাজকীয় কাম চলোৱাতো খামতী তিৰুতাই বিশেষ তীক্ষ্ণ বুদ্ধি আৰু শক্তিৰ পৰিচয় দিয়া উদাহৰণ আছে। In 1850 a large colony of fresh settlers from Bor-Khamti beween 5 and 4 hundred individuals under a chief a scion of one of their



best families, immigrated to Assam in a body. He was a youngman of remarkably good address and unusually fair and good looking. He had two wives, one a pure Khamti, the other half Assamese, both good-looking girls. They settled a few miles above the old outpost of Saikwa Don the left bank of the Brahmaputra not far from the No-Dihing; and when I first visited them about 6 months after their arrival I was surprised to see how rapidly and admirably they had after their own fashion established themselves. The Chiefs first wife had frequenty visited me at Dibrugarh and transacted buisness with me on behalf of her husband and his people for which she showed great aptitude. As I entered the village I saw her at the head of the women returning from their farm labour; each woman bore an axe and a faggot of wood, but that borne by the chief's wife was a tiny little ornamented implement, and her faggot a miniature bundle of little sticks neatly cut and tied together, evidently emblemetic rather than useful. She received me smilingly and leading the way to her house, did the honour with grace and dignity. I was lodged in a part of the newly raised priest's quarters, and in the evening was entertained by a very creditable display of fireworks and fire-balloons all of their own making · Cal Dalton.

## বেহা-বেপাৰ।

ইহঁতৰ তাৰ্ত এতিয়াও ৰূপ-সোণ কমায়। তাৰ উপৰিও তাহাঁতে জাংফাইৰ কাৰবাৰ কৰে। এই জাংফাই এবিধ জলজলীয়া ধাতু; ইয়াক কাটি মাইকীমানুহে পিন্ধা কেক কৰে। জাংফাইৰ এজোৰ কেকৰ দাম ৫ টকাৰ পৰা ৩৫।৪০ টকালৈকে হব পাৰে। ইহঁতক অইন ভালেমান বস্তুৰ বেহা-বেপাৰ কৰা দেখা যায়। তাহাঁতে ২।৩ হাত দীঘল কৰি এবিধ দা গঢ়ে। তাক 'খামতী-দা' বোলে। এই দা-বৰ চোকা। ডাঙৰ গছগছনি কাটিবৰ কাৰণে এনেকুৱা দা হে আসামৰ যতে ততে ব্যৱহাৰ কৰা দেখা যায়। খিলং পৰ্ব্বতৰ খাচীয়াহঁতৰ যৌ সেই ফালে যেনে বিখ্যাত এই ফালে খামতী

মৌ তেনে বুলিব পাৰি। মাঘ-ফাগুণ মহীয়া খামতীবোৰে কলহে কলহে মৌ আনি সদিয়াত বেচি যায়হি। সেই মৌ খাচীয়াহতৰ মৌতকৈ কোনো ৰকমে ন্যূন হব নোৱাৰে। বিশেষ কোনো জনা-বুজা কাৰবাৰী মানুহ নথকাৰ কাৰণে এই খামতী মৌৰ গুণ সেই অঞ্চলত বাজে কোনেও জানিব পৰা নাই। ইহঁত বৰ ভাল খেতিয়ক। ইহঁতে খামতী-শালি বুলি এবিধ ধানৰ খেতি কৰে। তাৰ চাউল বৰ তেলেতীয়া আৰু সোৱাদ। আটাইবোৰ পৰ্ব্বতীয়া মানুহে আৰু সদিয়াৰ ওচৰৰ অটাইবোৰ মানুহে চাউলহে খায়। ইহঁত আলু, মাহ, সৰিয়হৰ খেতিও কৰে। শনিবাৰে শনিবাৰে চৈখোৱা হাটত খামতীইঁতৰ বেচিবলৈ অনা বয়-বস্তুহে সৰহ। পানীৰ জুৰ লীৰপৰা ব্ৰহ্মপুত্ৰ নৈৰ ভাটেমান দূৰলৈকে খামতীৰ চাউলৰ, কুকুৰাৰ, বাঁহৰ আৰু নানান বস্তুৰ নাও, ভুৰেৰে গেজেপ মাৰি থাকে।

## সাজ-বাগ আৰু গঢ়-পিত।

ইহঁতৰ সাজ-বাগ আন পৰ্ব্বতীয়া জাতিতকৈ বহত উন্নত। মতাবোৰে কঁকালৰপৰা তৰিত পৰাকৈ ২॥ হাত মান বহল আৰু ৬ হাত মান দীঘল এখন আঁক-বাঁক কাপোৰ পোঙ্ক নমৰাকৈ মেৰিয়াই থয়। গাত এটা ঢিলা শোলোক-ঢোলোক কঁকাললৈকে পৰাকৈ এঙ্গা চোলা পিন্ধে। মাইকী মানুহৰ নিচিনাকৈ মতাবোৰেও চুলি ৰাখে আৰু খোপা বান্ধে; সেয়ে জানিবা মূৰৰ ওপৰলৈ কৰি। দূৰণি বাটলৈ যাবলৈ হলে একোটা নিজে বৈ লোৱা মোনা আৰু এখন দা খাপত সুমাই ডিঙিত ওলোমাই লৈ ফুৰায়। মাইকীবোৰে বিহা-মেখেলা পিন্ধে। কাপোৰ-কানি পিন্ধামেলাত ইহঁতৰ বৰ টিপ-টাপ্ আছে। বিহাখান বুকত কেৰামেৰে দি কান্ধৰ ওপৰে দি নি ১।॰ হাতমান দীঘল একাচলি মেখেলাত ওলমি থকাকৈ বিহাখন কঁকালত খুচি থয়। গাত ইহঁতেও এটা কুৰ্ত্তা চোলাৰ দৰে পিন্ধিবলৈ শিকিছে। মাইকীবোৰৰ গঢ়-পিত বৰ বেয়া নহয়। আটাইবোৰেই বগা আৰু তেজগোৰালী। তাহাঁতে মূৰৰ মাজে মাজে লেহেতীয়া শেওঁতা নেফালি মাত্ৰ মিহিকৈ চুলিবোৰ ফণীয়াই থয় আৰু কলদিলীয়া খোপা বান্ধে। মাইকীবোৰৰ চুলি প্ৰায়েই বৰ দীঘল। চুলি মেলিলে কৰঙন পায়গৈ। অসভ্য জাতিৰ কথা নকওঁৱেই, সভ্য জাতিৰ ভিতৰতো কোনো মাইকীৰ



ইমান দীঘল চুলি থকা সাধাৰণতঃ দেখা পোৱা নেযায়। অলঙ্কাৰৰ ভিতৰত অকল খাৰু আৰু কেৰু পিন্ধে। ডিঙিত মণি বা আন অলঙ্কাৰ পিন্ধাৰ নিয়ম নাই। ইহঁত বৰ চাফ-চিকুণ। ইহঁতে লেতেৰা হৈ থকাটো এটা দোষৰ কথা বুলি ভাবে। ইহঁত বৰ টেঙৰ কিন্তু বৰ নম্ৰ। ইহঁতে মতা মানুহে কথা পাতিলে সেই কথাত উপৰাচি ভাগ লোৱাটো বা মতা মানুহৰ কথাত উত্তৰা-উত্তৰি কৰাটো বৰ বেয়া কাম আৰু লাজৰ কথা বুলি ধৰে। বোৱা কটাতো ইহঁত বৰ কাজী। পাট কাপোৰ আৰু কপাহী কাপোৰ কলত কৰাৰ দৰে অতি মিহিকৈ ইহঁতে বৰ পাৰে আৰু নিজে পিন্ধা-উৰা কাপোৰ-কানি নিজ হাতে বৈ লয়। সভ্যতাৰ পোহৰলৈ ভালকৈ আহিলে বোৱা-কটাত খামতী তিকতাই ভালেমান উন্নত সভ্য জাতৰ মানুহকে চেৰ পেলাব বুলি আশা কৰা যায়।

ৰম।

---

# উন্নতিৰ উপায়।

আজিৰ দিনত ভাৰতৰ সকলো সভ্যাভিমানী জাতিৰ ভিতৰত এচুকে পৰি থকা এই অসমীয়া জাতিটোৱেই আটাইতকৈ অধম আৰু পাছ পৰা। বাকী সকলোবোৰেই নিজক ভাৰতীয় সভ্য জাতি বুলি চিনাকি দিব পাৰে, কিন্তু অসমীয়াই মূৰ দাঙি সেই কথা কবলৈ গলে লোক-হাঁহিয়াতত পৰিব লাগিব। তাৰ কাৰণঃ—আত্ম-বিস্মৃতি। অসমীয়া কি আছিল আৰু এতিয়াৰ পাশ্চাত্য সভ্যতাৰ সোঁতত পৰি তিতি বুৰি জুকলি-জুপুৰি হৈ কি হ'ল অসমীয়াই নিজেই একো কব নোৱাৰে। ৰজাৰ লৰাই সঙ্গবোৰত পৰি মকৰিৰ লগীয়া কাম কৰি যদি বিদেশলৈ গৈ—"মই অমুক ৰজাৰ লৰা" বুলি চিনাকি দিয়ে তেন্তে মানুহে ঠাট্টা আৰু মছ্‌কৰাৰ বাহিৰে তেওঁক আন সন্মান একোকে নেদেখুৱায়। ৰজাৰ ল'ৰা বুলি চিনাকি দিবলৈ ঠিক তেনে সাজ-পাৰ, সাহ-পিত, কথা-বতৰা আৰু তাৰ উপৰিও লগত অলপ মান সৈন্য সামন্তৰ আৱশ্যক। যদি এইবোৰেই নেথাকে তেন্তে কাৰ্য্যৰ দ্বাৰাই দেখুৱাব বুজাব নোৱাৰিলে নিজক ৰজাৰ ল'ৰ: বুলি চিনাকি দিয়াই মূৰ্খতা আৰু লাজৰ কথা। আমি অসমীয়া জাতিটোও এতিয়া ঠিক

এনেকুৱা ভাৰতীয় জাতি বা অৱস্থাহীন ৰজাৰ লৰা। আমি ডাঙৰ আমি জ্ঞানী আমি সভ্য আৰু আমি উন্নত এই আটাইবোৰেই মুখৰ কথা; কাৰ্য্যত আমি সেইবোৰৰপৰা বহুত আঁতৰত। যেতিয়ালৈকে আমি এই আটাই-বোৰৰ লগত পুৰাপুৰকৈ সম্বন্ধ ৰাখি কাৰ্য্যত চলিব নোৱাৰিম তেতিয়ালৈকে আমি ভাৰতীয় উন্নত জাতিবিলাকৰ প্ৰকৃত আসনৰপৰা বহুত দূৰৈত থাকিবলৈ বাধ্য। "জোৰকৈ" বহিবলৈ গলেও গঁতা-গুতলি খাই ওলাই আহিব লাগিব। কি লাজৰ কথা!—আমাৰ অৱস্থা এতিয়াও এনেকুৱাই!

অসমীয়া তোমাক কেটামান প্ৰশ্ন শোধোঁ। তুমি উত্তৰ দি বাধিত কৰিবানে? বাৰু কোৱাঁচোন:—আজি তোমাৰ ভিতৰত কেইটা খাঁতি লাখপতি আছে যি বুকু ফিন্দাই কব যে—"মই খাঁতি স্বদেশী (অসমীয়া). বস্তু বিদেশলৈ ৰপ্তানি কৰি. এই একলাখ টকাৰ কাৰবাৰ কৰিছোঁ।" যদি নোৱাৰা তেন্তে তুমি কি ডাঙৰ মানুহ? কাৰণ, জগতত আজিকালি ধনী মানুহেই ডাঙৰ মানুহ। আজি তোমাৰ ভিতৰত কেইজন জ্ঞানী মানুহ আছে যি নিজৰ জ্ঞান-চকু মেলি কেউফালে এবাৰ চাব পাৰিছে? নেদেখাই কণাই সমান। ফেচন লগাই লোকৰ কাপোৰ-কানিৰে নিজৰ দেহাটো মেৰিয়াব পাৰিলেই যদি সভ্য হয় তেন্তে-খাচিয়া আৰু মণিপুৰীয়াইত তোমাতকৈ সভ্য নহয় নে? তোমালোকে নিজক পাহৰিবৰপৰা কোন বিষয়ে উন্নতি কৰিছা এবাৰ আঙুলিয়াই দেখুৱাব পাৰানে? বিদ্যা চৰ্চ্চাত তোমালোকে বঙৰ খাওঁ এখনৰ লগতে ফেৰ মাৰিব পাৰানে? পৰোপকাৰ তোমাৰ জাতীয় ধৰ্ম। সেইটো দূৰৈত থাওক এতিয়া তুমি নিজৰ উপকাৰী কামটোও কৰিবলৈ পাহাৰ গৈছা! দেশৰ দুৰৱস্থালৈ চাই তুমি এফেৰিও উপকাৰ অলপো সহানুভূতি দেখুৱাব পাৰিছানে? দেশৰ উপকাৰজনক জাতীয় উন্নতিমূলক কোনো এটা কাম কৰিবলৈ হলে তোমালোকে কেজনমান ভদ্ৰলোকৰ ঘৰলৈ দিনটোত চাৰি পাঁচ বাৰকৈ অহা-যোৱা কৰি ভাগৰি পৰা। সেই বিষয়ে দেশময় এটা আন্দোলন তুলি সকলো অসমীয়াকে আহ্বান কৰিবলৈ তোমালোকৰ কিবা উপায় আৰু কাণ-মনেই আছেনে? তোমালোকৰ জাতীয় মাতৃভাষাৰ বাতৰি-কাকতত এনেকুৱা কিবা জীৱন্ত সৰল আৰু সঞ্জীৱনী মন্ত্ৰ আছেনে যি মন্ত্ৰই শুকান খৰিকো



লৰাব পাৰে? যদি নাই, চেষ্টা কৰা, হব। পাছলৈ দেখিবা সেই কাকতৰ একলম বা আধা কলমেই প্ৰত্যেক অসমীয়াৰ হিয়া-তন্ত্ৰীৰপৰা ৰাজ সিংহাসনলৈকে কঁপাই তুলিব। আৰু তেতিয়াৰপৰাহে তোমাৰ উন্নতিৰ যুগৰ আৰম্ভন।

তোমাৰ ল'ৰা হ'ল, ছোৱালী হ'ল, মাত কথা ফুটিবলৈহে বাট চাই আছিলা। যেনে ফুটিল তেনে নি সিহঁতক তুমি ইংৰাজী স্কুলত ভৰ্ত্তি কৰি দিলাগৈ। লগে লগে তোমাক "পাপা" আৰু মাকক "মামা" বুলিবলৈ শিকালা। এই খিনিতেই তুমি জাতীয়তাৰ মূলত কি কোৰেৰে চাব দিলা এবাৰ ভালকৈ মণিবলৈ চেষ্টা কৰি চাইচানে? তোমাৰ লৰা যদি চোকা বুধিৰ হল তেন্তে তো 'ধমাধম' পাছ কৰি "হাকিম হুকুম" হবগৈ; যদিহে দুৰ্ভাগ্যক্ৰমে বাটতে পিছলিব লগাত পৰিল তেন্তে তুমি আৰু তালৈ কি উপায় চিন্তি থৈছা? আমাৰ ল'ৰা যিমানবোৰেই "এ, বি, চি, ডি" পঢ়িছে সকলোবোৰেইতো "হাকিম হুকুম" আৰু "বি, এ; এম, এ;" হ'ব নোৱাৰে; মাত্ৰ খিনিতে যিবোৰৰ ককাল ভাগিব সেইবোৰৰ উপায় কি? তোমালোকে স্কুলত পাছ কৰিবা, কলেজত সোমাবাগৈ; উচ্চশিক্ষা উচ্চজ্ঞান কেৱল তোমালোকৰ ভিতৰতেই সীমাবদ্ধ হৈ থাকিব পায়নে? এবাৰ তোমাৰেই ভাই-ককাই, আত্মীয়-কুটুম বন্ধু-বান্ধৱ—আমাৰ মুখলৈ চোৱাঁ। আমি অজ্ঞান আন্ধাৰত বুৰ গৈ থাকিলে তোমালোকেই বা মনত কি শান্তি পাবা? তোমালোকে যি জ্ঞান, যি শিক্ষা পাগা আমি ইংৰাজী নাজানো বুলি তাৰ অলপো ভাগ পাব নোৱাৰোঁনে? আমাক উন্নতি আৰু জাতীয়তা গঠন কৰিবলৈ যিমান বিদ্যা, যিমান বুদ্ধি আৰু যিমান জ্ঞান লাগে, সেই সকলোবোৰৰ অলপ নহয় অলপ তোমালোকে আমাক দিব পৰা স্বত্তেও একেবাৰেই বঞ্চিতকৈ ৰখাটো তোমালোকৰ উচিত হৈছেনে? ক'ব পাৰা যে—"আমি ইংৰাজী জানো দেখি শিকিলোঁ, তোমালোকক শিকাওঁ কেনেকৈ?" তাৰ উত্তৰত আমি কওঁ:—আমাৰ মাতৃভাষাৰ সহায়েৰে। তুমি জগতৰ বিবোৰ বিষয় পঢ়িছা পঢ়োতে সেই সকলোবোৰ বিষয়কেই ইংৰাজীতে পঢ়িছা, কিন্তু, বুজুতে নিজ মাতৃভাষাৰ সহায়েৰেহে তেও বুজিছা। আমাকো আমাৰ মাতৃভাষাৰ সহায়েৰেই বুজুৱা। আমিও অলপ জ্ঞান

পোহৰৰ ভিতৰত সোমাওঁ বা আমাকো অলপ জ্ঞানৰ পোহৰে ছোৱক। এতিয়া প্ৰশ্ন হব পাৰে যে উপায় কি? আমি ইয়াৰ লগতে তাৰো অলপ আভাস দিওঁ,—মাথোন কাৰ্য্যত হলেই সেয়ে আমাৰ পক্ষে যথেষ্ট হয়।

প্ৰথমেই ধৰা যাওক, আমাৰ জাতীয় মাহিলী আলোচনী "বাঁহী"। বৰ্ত্তমান এই কাকতৰ গ্ৰাহকৰ সংখ্যা নিচেই তাকৰ। এহেজাৰ বুলিবলৈকে লাজ-লগা কথাহে! শিক্ষিত মাত্ৰেই জাতীয় কাকত পঢ়ে। এতিয়া যদি "বাঁহীৰ গ্ৰাহক এহেজাৰ বুলি কওঁ তেন্তে, নিজ মুখৰ কথাতেই ধৰা পৰোঁ যে অসমত ৪০।৫০ লাখ অসমীয়াৰ ভিতৰত মাথোন এহেজাৰ হে শিক্ষিত অসমীয়া আছে। কেনে লাজ আৰু পৰিতাপৰ কথা! আজি ছবছৰে "বাঁহীয়ে" যে এহেজাৰ অসমীয়াক হিত কথা আৰু জ্ঞান দি আহিছে সেই সকলোবোৰ এহেজাৰ অসমীয়াৰ (লগে লগে আৰু দুই-তিনি হাজাৰৰো) হাড়ে হাড়ে সোমাই আছে। তাৰেই ক্ৰিয়া বা পৰিণাম আজিয়েই দেখিবলৈ নেপালেও আৰু বাৰ বছৰৰ মুৰত তাৰ ফল ধৰিবই ধৰিব। আমি আমাক মানুহ কৰি তুলিবলৈ আৰু লগে লগে আমাৰ বংশধৰসকলকো পোন বাটে চলাই আনিবলৈ হলে আমাৰ সাহিত্যৰ ভিতৰেদিয়েই তেওঁলোককো চলাই আনিব লাগিব, নহলে অবাটে গলে উন্নতিৰ আশা কৰাই মিছা। বৰ্ত্তমানত "বাঁহী"ৰ গ্ৰাহকসকলৰ ওপৰত বৰ ডাঙৰ কৰ্ত্তব্যৰ ভাৰ এটা পৰিছে, সেই ভাৰটো হৈছে—"বাঁহী"ৰ গ্ৰাহকৰ সংখ্যা বঢ়োৱা। গ্ৰাহকৰ লগে লগে পাঠকৰ সংখ্যাও বাঢ়ি যাব। এজন গ্ৰাহকৰ জৰিয়তে পাছজন পাঠকে জ্ঞান আৰু উপকাৰ পাব; জাতীয় উন্নতিলৈ এইটো কিবা বেয়া পথ নে?

"বাঁহী"ৰ গ্ৰাহক! তুমি হিন্দুৱেই হোৱা বা মুচলমানেই হোৱা. আমি তোমাক অসমীয়া বুলি জানো, তোমাৰ উন্নতিত আমাৰো উন্নতি, তোমাৰ পতনতেই আমাৰো পতন। আহাঁ, আমি মিলিজুলি কাম কৰিবলৈ শিকোঁ। তুমি যদি হিন্দু গ্ৰাহক হোৱা, আৰু তোমাক যদি উন্নতি লাগে—তেন্তে আজিয়েই ধৰ্ম্মক সাক্ষী কৰি প্ৰতিজ্ঞা কৰা যে—"আৰু এজন হিন্দু গ্ৰাহক গোটাই দিব নোৱাৰিলে এবছৰলৈ মই আৰু কোনো আমোদ প্ৰমোদতেই যোগদান নকৰোঁ।" মুচলমান গ্ৰাহক! বৰ্ত্তমান তোমাৰ অৱস্থালৈ চালে চকুৰ পানী ওলায়, লাজত তলমুৰ হৈ থাকিব লগাত



পৰিছোঁ। তোমাৰ সেই নাম, সেই কীৰ্ত্তি, সেই কাৰ্য্য আজিকালি কি হ'ল? অসমলৈ আহি তুমি ইমানেই অধঃপাতলৈ গলানে যে—ক'তো তোমাৰ নাম গোন্ধো পাবলৈ নাই। উঠাঁ, এয়েই সময়; যদি একেবাৰেই সুমাব খুজিছা তেন্তে সুমুৱাৰ আগেয়ে এবাৰ ফটফটীয়া হৈ জ্বলি তাৰ পাছত সুমাই যোৱাঁ। আক্ষেপ নহওক আৰু কৰলৈকে। একো নেথাকক। ইমানতে তুমিও এজন গ্ৰাহক দি "বাঁহী"ক সৰ্ব্বাঙ্গসুন্দৰ কৰি আমাক শিক্ষিত, জ্ঞানী আৰু উন্নত হবলৈ বাট মোকোলাই দিয়াঁ। জানিবা ইও এটা তোমাৰ "ফৰজ" (কৰ্ত্তব্য)।*

এম, মোছলেহ উদ্দিন আহমদ।

---

# শ্ৰীশ্ৰীহৰিদেৱৰ জীৱনী।

৩

উদাৰ বদতী শুনিও ধানেশ্বৰ। যেন কথা ভৈলা আৰে আত অনন্তৰ॥
দুই কন্যা পুত্ৰ এক ভৈলা তান ঘৰে। দেখিয়া আনন্দ ভৈলা মনত সবাৰে॥
সুকালত যজ্ঞসূত্ৰ দিলা দেৱহৰি। আনন্দে আকুল ভৈলা সকল নগৰি॥
পঢ়িবাক লাগী বাসৱাৰী গ্ৰামে থৈলা। কৃষ্ণশৰ্মা উপাধ্যায়ে সাত্ৰক পঢ়াইলা॥
পঢ়িলেক শাস্ত্ৰ বেদান্তৰ তত্ব পাইলা। শুভাৰ থানক দামোদৰ চলি গৈলা॥
নাৰায়ণ দেৱে দেখি স্তুতী বিস্তৰ কৰিলা। ভাগৱত শাস্ত্ৰ আনী তাহাত কহিলা॥
পুনু বহৰিক লাগী কৰিলা গমন। কচৰাৰ তিৰে আই ভৈলা উপসন॥
তিৰত বহিয়া স্নান তৰ্পনাদী কৰি যোগাসনে। পৰম ব্ৰহ্মাক হৃদয়ে ধৰিয়া প্ৰাণ এৰি তেতিক্ষণে॥ ব্ৰাহ্মণৰ শিশু এক লগত আছিলা। প্ৰভোৰ আগত আনী সমস্তে কহিলা॥ হেন শুনি লোকৰ মিলিলা মহা শোক। নিগৰে বহয় আতী নয়নে লোতক॥ শুনিয়া প্ৰভোৰ আতী আনন্দ সিন্তৰ। ভক্তক বোলন্ত শোক এড়া নিৰন্তৰ॥ এহি বুলি চলি গৈলা কচৰা তিৰক।

---

* বাঁহীৰ বিষয়ে লেখকৰ মতৰ বাবে লেখক হে দায়ী। এই কথা এইবাবে কব লগীয়া হৈছে যে বাঁহীৰ আওপকীয়া বন্ধুৰ লেখ বৰ কম নহয়; তেওঁলোকে টপ কৰে কব, মকলেও ভাবিব যে এইখন আমাৰ বাঁহীৰ গ্ৰাহক গোটোৱা বিজ্ঞাপন বুলি কৰি উলিয়াইছোঁ। সেইটো নহয় কিন্তু,—তেহেলৈ তেওঁলোকে যি ভাবে, যি কয় কওক।— সম্পাদক।

ব্ৰাহ্মণৰ হাতে হৰি আনাইল পুস্তক। জ্ঞানে কৰ ধৰি যোগাসনে বসী আছে ॥
হেন দেখি সমস্তক বুলিলেক পাছে। কালৰ অধিন দেহা জানা সমুদায় ॥
তাক লাগী শোক চয় এড়া ভক্তচয়। এহি বুলি বহ্নি আনী দাহিলা শৰিৰ ॥
দশ পীণ্ড দিয়া কৰ্ম্ম কৈলা মহাধিৰ। এহিমতে কতোকাল গৈলা আনন্দতে ॥
অতিথী পালিয়া প্ৰভো আছা অজগুতে। আত অনন্তৰে কথা শুনা মনকৰি ॥
কলাদী তিৰত পাছে প্ৰবেশিলা হৰি। কতোদিন থাকি পাছে মনেৰিক আইলা ॥
মানেৰি থানক প্ৰভো নিৰ্ম্মাণ কৰিলা। ভিঠিবান্ধি মণ্ডীৰ নিৰ্ম্মিলা আতপৰে ॥
কৃষ্ণমূৰ্ত্তি নিয়া গৈলা তাহাৰ ভিতৰে। প্ৰবৰ্ত্তাইলা হৰি প্ৰসঙ্গৰ পৰিপাতী ॥
জগতৰ হিতক চিন্তন্ত দিনেৰাতী ॥ দোলৰ উত্তৰে আছে তিৰ্থ যে লোহিত ॥
পদশীলা নিয়া গৈলা তাহান তিৰত। বিশ্বকৰ্ম্মে নিৰ্ম্মাণ কৰিয়া দিলা আনী ॥
তাটে বসী স্নান কৰন্ত মহামানী ॥
আত অনন্তৰে পাছে বুলিলা বচন। বহৰিক জাইব এবে চলা এতিক্ষণ ॥
এহি বুলী প্ৰাণহৰি কৰিলা গমন। দেখিয়া লোকেৰ উল্লাসীত ভৈলা মন ॥
শুচান্দ বদন শোভে পঙ্কজ লোচন। চামৰক জিনি শোভে কেশ বিতোপন ॥
নাসা তিলফুল জেন ৰাতুল অধৰ। ক্ষিণ মধ্য বাহু মৃনালৰ সমসৰ ॥
বহল হৃদয় নাভী * গুপ্তিৰ। বক্ৰাকৃত লোমচয় উৰু ৰুচিকৰ ॥
পদ যুগলত শোভে নখচন্দ্ৰ চয়। গৌৰবৰ্ণ তনু আতী প্ৰকাশ কৰয় ॥
হেন মূৰ্ত্তি দেখি সবে নৰনাৰী গণে। মহানন্দে আগবাঢ়ি আনীলা তেখনে ॥
উত্তম আসনে আনী তাঙ্ক বসাইলন্ত। চৰণ ধুয়াই বহুভাৱে পুজিলন্ত ॥
দণ্ডৱতে প্ৰণাম কৰিলা তান পায়ে। স্তুতীনতী ভকতী কৰিলা বহু ভায়ে ॥
এহিমতে বহুবিধ কৰিলা ভকতী। হেন দেখি তুষ্ট ভৈলা অজৰ সম্মতী ॥

• • •

শ্ৰৱণ কীৰ্ত্তন কৰি আছা মহাভাগ। সেহিবেলা শঙ্কৰ আসিলা তান আগ ॥
দণ্ডাৱতে প্ৰণাম কৰিলা তান পায়ে। বুলিবে লাগিলা বাক্য গদ গদ ভায়ে ॥
শুনা হৰিদেৱ তুমি বচন আমাৰ। ভাগৱত শাস্ত্ৰৰ কহিয়া তত্ব সাৰ ॥
হেন শুনি শঙ্কৰক আলিঙ্গন ধৰিলা। জাইবু বুলি শঙ্কৰক আদেশ কৰিলা ॥
শুনিয়া শঙ্কৰে পাছে গৈলা নিজ থানে। আন অনন্তৰে কথা শুনা সাৱধানে ॥

---

* চিয়াহী পৰি পঢ়িব নোৱাৰো হৈছে।



প্ৰভাতে উঠন্ত প্ৰভো স্নান কৰন্ত। মহানন্দে পাট বাউসীক চলন্ত ॥
শঙ্কৰে পুছন্ত ভাগৱতক কহন্ত। কৃষ্ণ লীলা ৰসে দুয়ো আলাপ কৰন্ত ॥
পুনৰপি মনেৰিক চলিয়া আসন্ত। পৰৰ পন্থক প্ৰভু লীলায়ে জানন্ত ॥
এহিমতে নাম গুণ গায়া দেৱহৰি। উলতি আসন্ত পুনু কৃষ্ণ বিষ্ণু স্মৰি ॥
শঙ্কৰক আদি কৰি ভক্ত নিৰন্তৰ। বিস্ময় মানিয়া সবে কৰন্ত আদৰ ॥
একদিনা ভৈলেক অঠন্তৰ। এক মহা ব্যাঘ্ৰ আছে দেখি লাগে দৰ ॥ গোবিন্দে
দেখিয়া মহাভয়ে পলাই গৈলা। নাহি ভয় বলি প্ৰভো আশ্বাস কৰিলা ॥
ব্যাঘ্ৰৰ শিৰত তুলসীমালা দিলা। প্ৰসাদক পাইয়া ব্যাঘ্ৰে বনক লাগি গৈলা ॥
হেন দেখি গোবিন্দৰ বিস্ময় মনত। ঈশ্বৰৰ অংশ ইতো অজনাভ গুত ॥
এহিমতে দুয়ো চলি জান্ত আনন্দতে। একদিনা মহিষক দেখিলা আগতে ॥
গোবিন্দে কহন্ত প্ৰভো মিলিল বিপাক। কোঠৈৰ মহিষ গোটা থাই আসন্ত
আমাক ॥ শুনি অজগুতে বলে শুনিয়ো স্বৰূপ। ঈশ্বৰে ৰাখিবে আত নহই-
বাহা চুপ ॥ মহিষৰ মাঠে হাত দিলা দেৱহৰি। মহিষ পলাইলা পাছে ভয়তে
অন্তৰি ॥ এহিমতে জান্ত হৰি বিপু দুৰকৰি। কৃষ্ণৰ নামক সদা মনত
উচ্চাৰি ॥ উদাৰ বদতি দ্বিজ শুনা সাৱধানে। আতপৰে যি কৰিলা অজৰ
নন্দনে ॥ পান সাজি গ্ৰামে আছে এক দুৰাচাৰ। লোকত প্ৰখ্যাত আছে
ধনুকাটা নাম তাৰ ॥ পৰম দুৰ্য্যন কাকো নমানে দৰ্পত। সেহিহেতু পসি-
লেক ধান্যৰ মাজত ॥ দেখিয়া প্ৰভোক পাছে সিতো গৰ্ব্বমতি। মহা ক্ৰোধে
গৰ্জ্জিতে লাগিলা দুষ্টমতী ॥ কোনজন কাণা মোৰ সহ মাজে যাস। ধান
ভাঙ্গি কৈলি আলি ভৈলো সৰ্ব্বনাশ ॥ এতেক বোলন্তে তাৰ চক্ষু খসী গৈলা।
কানা হয়া ধনুকাটা তৈতে পৰি লৈলা ॥ দুষ্টৰ দৰ্পক চুৰ কৰি দেৱহৰি।
প্ৰবেশিলা জাহ্ পাছে শঙ্কৰ নগৰী ॥
দেখিয়া শঙ্কৰ পাছে আসন দিয়াইলা। তাহাত বসিয়া প্ৰভু ভাগৱত কৈলা ॥
আগন্তে বৃত্তান্ত যত ভৈলেক পঠত। কহিলা শঙ্কৰ আগে গোবিন্দে সমস্ত ॥
হেন শুনি বিস্ময় ভৈলেক সৰ্ব্বজন। হৰিজে গুৰুক সবে কৰিলা সম্মান ॥
ভোজন কৰাইবে লাগি শঙ্কৰে মাতীলা। হেনশুনি মাধৱেও গৃহত পশিলা ॥
শুক্ল পুষ্পসমে ভিস্তী দেখিলা তথাত। পুচিলন্ত আই কিবা কহিয়ো আমাত ॥
হেনশুনি মাটীলেক শঙ্কৰৰ জায়া। লক্ষ্মীক পূজুহ আমি শুক্ল পুষ্প দিয়া ॥

হেনশুনি মাধৱে আসিলা শীঘ্ৰগতি। শঙ্কৰৰ আগে যাই কহিলা সম্প্ৰতি॥
অভ্যন্তৰে আছে আই নকৰে ভোজন। শুনিয়া শঙ্কৰে পাছে বুলিলা বচন॥
হৰি যে গুৰুক শীঘ্ৰে আনি এতিক্ষণ। আমাৰ ভাৰ্য্যাক তেহ দিয়োক শৰণ॥
হেনশুনি মাধৱে আনিলেক মাটী। উপদেশ দিয়া পাছে শিকাইলেক নীতি॥
হেন দেখি শঙ্কৰৰ মহানন্দ ভৈলা। ভাৰ্য্যায়ে সহিতে তাঙ্ক নমস্কাৰ কৰিলা॥
শঙ্কৰে বোলন্ত প্ৰভু শুনা দেৱগৰি। ভাৰ্য্যাৰ আমাৰ গুৰু ভৈলা আজি ধৰি॥
এহি বুলি শুক্ল বস্ত্ৰ দিলা একজুৰি। ভাগৱত ধৰ্ম্ম যোত কহিয়ো সংহৰি॥
শুনি হৰি ভাগৱত তাহাত কহিলা। পৰম ভকতি জ্ঞান শঙ্কৰে লভিলা॥
শুনা সভাসদ্ কথা গুৰুৰ চৰিত্ৰ। সমস্ত ধৰ্ম্মতে সাৰ পৰম পবিত্ৰ॥
ভবনাম সংসাৰ সাগৰ বিপৰীত। কাম ক্ৰোধ কুম্ভিৰ মগৰ ভৈলা ঠিত॥
লোভ মোহ ভৈলে চাৰি উৰ্ম্মিয়ে উঠয়। বিষয় বতাহ ধৌ উঠলী থাকয়॥
তাহাত পৰিয়া ধোকে ধোকে পানী খাও। তথাপি গুৰুৰ নাম মুখত নলাও॥
গুৰুৰ নাম বিনে তাঙ্ক তৰণ নজাই। হেন জানি ৰামনাম নেৰিবাহা ভাই॥
গৃহতে থাকিয়া নাম লও অবিশ্ৰাম। অল্প মতি দীজে কহে বোলা ৰাম-ৰাম॥

ছবি। শঙ্কৰে বোলন্ত হেন, শুনিয়ো ভকত সব

সবা হতে বঢ়া হৰিদেৱ।

এতেকে চলিয়া আঞ্, মনেৰি থানক প্ৰতি;

দৌলভিটি বান্ধি কৰু সেৱ॥

এহি কহি চলি গৈলা, শঙ্কৰ যে দামোদৰ,

ভক্ত সমে আনন্দ কৰিয়া।

পণ্ঠত দেখন্ত পাছে, সহমাজে পৰি আছে,

একজন চক্ষুহীন হৈয়া॥

শঙ্কৰে বোলন্ত শুনা, পৰি আছা কোনজনা,

কহিয়োক স্বৰূপ বচন।

ধনু কাটা বলে মই, শুনা কহো তত্ত্ব,

মোহৰ বৃত্তান্ত ভৈলা জোন॥

পদ। ধনুকাটা বলে শুনা আমাৰ বচন। আমাৰ সহৰ মাজে গৈলা একজন॥
গাওৰ দৰ্পত থাকি বুলিলুহ কানা। স্বৰূপ কহিলো মই হেন মনে মানা॥



শঙ্কৰ বদতী কৃপাময় হৰি গুৰু। তুমি দুঃখ সংহাৰক ভকত কল্পতৰু॥ মায়ায়ে
মোহিত সিতো নজানে তোমাক। তুষ্ট হয়া চক্ষু দান দিয়া অন্ধকক॥ হেন শুনি
হৰিগুৰু শুদ্ধ মনে বাক্যক কহিলা। কানা শুচি এতিক্ষণে তাৰ চক্ষু ভাল হৈলা॥
অদ্ভুত দেখিয়া ধনু কাটা সাবধানে। স্তুতি কৰি নম্ৰ ভাৱে পৰিলা চৰণে॥
নমো নমো জগতৰ কৰ্ত্তা তুমি হৰিদেৱ। তোমাৰ চৰণে লক্ষ কোটী কৰু সেৱ॥
তুমি চৰাচৰ গুৰু জগতৰ বাপ। তোমাক নিন্দিলু মোৰ ভৈলা মহাপাপ॥
কাতৰ কৰোহ প্ৰভো তুৱা চৰণত। প্ৰসন্ন হয়োক কৃপাময় অজগুট॥
আমু নানা স্তুতী নতী কৰিলা বিস্তৰ। তাক নকহিবু পদ বাহুল্যক দৰ॥
এহিমতে স্তুতী সমে কৰিলন্ত সেৱ। শুনিয়া সন্তুষ্ট পাছে ভৈলা হৰিদেৱ॥
পৰম ভকতি জ্ঞান তাহাত কহিলা। আনন্দ কৰিয়া মানেৰিক চলি গৈল॥
দৌল ভিঠি বান্ধি সবে নাম গুণ গাইলা। আনন্দ কৰিয়া সবে প্ৰসাদ ভুঞ্জিলা॥
উদাৰ বদতী শুনিয়োক দীজ বড়। যেন কথা ভৈলা আৰে আত অনন্তৰ॥
শঙ্কৰ যে দামোদৰ ভক্ত নিৰন্তৰ। সবাহাৰ আগে প্ৰভো দিলন্ত উত্তৰ॥
হৰিদেৱ বদতি যে শুনিয়ো শঙ্কৰ। শুনা দামোদৰ শুনা ভক্ত নিৰন্তৰ॥
পূৰ্ব্বৰ কাহিনী কহ শুনা মন কৰি। মোৰ পিতামহে পূৰ্ব্বত আছিলা বহৰি॥
দুষ্টৰ কাৰণে গ্ৰাম তেজিলা সম্প্ৰতি। পিতৃবাক্যে সেই গ্ৰামে কৰিব বসতি॥
সেহি গ্ৰামে শত্ৰ পাতি কৰিবো উজ্জ্বল। হেন জানি বহৰিক চলিয়ো সকল॥
চিৰকাল ইতো গ্ৰাম নথাকে ইহাত। লোহিতে নিবেক থসাই জানা স্বৰূপত॥
শঙ্কৰ যে দামোদৰ শুনি হেন কথা। ভক্ত সমে চলি গৈলা বহৰিক তথা॥
দেখি নগৰীয়া লোকে আনন্দক পাইলা। সবাঙ্কৰে আসি তাৰ চৰণে নমিলা॥
বহৰিকা পাইয়া পাছে তিনি পূৰ্ণকাম। সাতদিন যাত্ৰা কৰি গাইলা কৃষ্ণনাম॥
তাত পাছে নাগৰৰ দৌলক নিৰ্ম্মিলা। চাৰিয়ো কাথৰে নানা ফুলক পুতিলা॥
প্ৰতিমা আনিয়া হৰি কীৰ্ত্তন কৰিলা। প্ৰসাদ ভুঞ্জিলা সবে আনন্দ কৰিলা॥
শঙ্কৰে বোলন্ত শুনা ভক্ত নিৰন্তৰ। পৰম দুৰ্ল্লভ থান বহৰি সত্ৰৰ॥
এহিমতে কথা কহি তিনিয়ো ঈশ্বৰ। দিন কটীপয় থাকি গৈলা নিজঘৰ॥
শুনিয়োক সৰ্ব্বজন কথা অনুপাম। গুৰুৰ চৰিত্ৰ ইতো নকৰা বিৰাম।
কলিৰ লোকৰ দুঃখ দেখি নাৰায়ণ। চাৰি খানে পৃথিবীত ভৈলা উৎসন॥
প্ৰথমে শঙ্কৰ দ্বিতীয়ে দামোদৰ। তৃতীয় অংশে হৰিদেৱ জানা নিৰন্তৰ॥

নিগুণ ভকতী তেহু কৰিলা প্ৰচাৰ। তাহাৰ চৰিত্ৰ শুনি হৈবাহা নিস্তাৰ॥ মই মহা মূঢ়মতি নজানো তোমাক। এবাইবে নুয়াৰু প্ৰভো তোমাৰ মায়াক॥ চৰণে শৰণ লৈলো নকৰা নৈৰাশা। অৰুণ চৰণ তলে দিয়ো মোক বাসা॥ শুখে দুখে মুখে নচাৰৌক ৰাম নাম। সমাজিক সবে দাকি বোলা ৰাম ৰাম॥ দোলৰি॥ উদাৰ বদতি শুনা ধানেশ্বৰ, আতপৰে যেন কথা ভৈলা। বহৰিব হন্তে, মানেৰিক লাগি, ভকত সমে চলি গৈলা॥ ভাগৱত শাস্ত্ৰ শুনায়ো সমস্ত, আছা দেৱ অন্তুট। আত অন্তৰে, যেন কথা ভৈলা, শুনা কহু স্বৰূপত। বাঢ়জন দ্বীজ, আলোচিয়া কাজ, শঙ্কৰৰ আগে আইলা। দেখিয়া শঙ্কৰে, মধুৰ বচনে, দ্বীজক বলিবে লৈলা॥ শুনা বিপ্ৰগণ, আমাৰ ভোবন, আইলা তোৰা কি কাৰণ। শুনি দ্বিজগণে, বুলিবে লাগিলা, শুনিয়ো দৃঢ় বচন॥ এক তলা বিষ, লৈয়া বাঢ়জন, আসিলো তোমাৰ ঠাই। বিষ ভুঞ্জি প্ৰভো, দিয়া উপদেশ, কহিমু আমি নিশ্চয়॥ শঙ্কৰে বোলন্ত, ব্ৰাহ্মণৰ গুৰু, নহো আমি দ্বিজগণ। দামোদৰ হৰিদেৱ মানেৰিত, চলিয়ো সবে এখন॥ শুনি বিপ্ৰগণ, পাট যে বাউসীক, আইলা দামোদৰ কাছে। দেখিয়া দামোদৰে, ব্ৰাহ্মণ সবক, বচন বুলিলা পাছে॥ পূৰ্ব্বে মহাদেৱে, বিষ ভুঞ্জি আছে, কহিলো তোৰাব ঠাই। হলাহল বিষ, পান কৰিবাৰ, আমাৰ শকতি নাই॥ হেন কথা শুনি, নথাকিলা ৰৈই, মানেৰিক চলি গৈলা। পৰম পণ্ডিত, গৰ্ব্বি বিপ্ৰগণ, বেদবাক্য মোহ ভৈলা॥ তাসম্বাৰ নাম, শুনা ভিন্নেভিন্ন, কহো আবে আতপৰ। বংশীদেৱ নাম, আৰো বলদেৱ, আৰো নাম গুৰুধৰ॥ জগৰ্নাথদেৱ, সন্তো যদুমণী, ভট্টদেৱ ভগবান। গোপাল চৰণ, হৰি যে চৰণ। সোমশুভ নাৰায়ণ, এহিবাঢ়জন॥ গৰ্ব্বি বিপ্ৰগণ, মানেৰিত প্ৰবেশীলা। হৰিদেৱে দেখি, সাদৰে বসাই, তাহাক পুছিবে লৈলা॥ অনেক বচনে, কহিবে লাগীলা, অন্তৰ প্ৰিয় গুট। শুনা দ্বীজগণ কিকাৰে আসীলা, কহা মোত স্বৰূপত॥ শুনি বিপ্ৰগণে, প্ৰভোৰ চৰণে, নম্ৰভাৱে প্ৰণামীলা॥ কৃতাঞ্জলী হয়া, মৃদু মৃদু কৰি, কাৰণ কহিবে লৈলা। আমী বাঢ়জন, সামৰ্থগুৰুক, গোকত মূৰ্দ্ধ বিচাৰি। হেন জানী প্ৰভো, বিষ পাণ কৰি, দিয়া উপদেশ হৰি॥ হেন শুনি হৰি ইষত হাসিয়া, দিলন্ত পাছে উত্তৰ। মহেশত পৰে, বিষ ভুঞ্জিবাক, নপাৰয় একো নৰ॥ বিপ্ৰগণে বলে,



শুনিয়ো কাৰণ, কহু আবে সমুদায়। চৈতন্যক আদী, কৰিয়া সমস্ত, ফুৰিলোহ ঠাই ঠাই॥ বলে যোৰা সবে, বিসক যে পাণ, কৰিবে নপাৰু বলে বচন। চৈতন্য শঙ্কৰ, আদী দামোদৰ, সবেও মহন্তে পঠাইলা আপনাৰ স্থান॥ এহি বলি হৰি, কৰতালী কৰি, বিষক কৰিলা প্ৰাণ। যোগ বলে প্ৰভো মনুষ্য শ্ৰেষ্টক, দেখাইলা বিদ্যমান॥ তাহান মহিমা, আচয় কতেক, নজানয় বিপ্ৰগণ। বিষ লাগী প্ৰভো, পৰিয় থাকিলা, ভূমীত যেন সয়ণ॥ শুনা সভাসদ, সাক্ষাতে অমৃত. গুৰুৰ চৰিত্ৰ সাৰ। পৃথিবীত বিষ পাণ কৰিবাৰ সকতি আচয় কাৰ॥ হেনয় গুৰুক মনুষ্য বোলয় সিতো মূঢ় মণ্ডমতী। তাহাৰ চৰণ, চিন্তা অহৰ্নিশ জানী এগা আন মতী॥ দ্বীজ ধনেশ্বৰে, বোলে হৰি গুৰু, মুখে দিয়ো তুয়া নাম। হৰি যে গুৰুৰ, চৰণত ধৰি, ডাকী বোলা ৰাম ৰাম॥' লেছাৰি: দেখি দ্বীজগণ বিপৰিত। তকৰ হয়া আহা এক চিত্ত। শোকৰ জমক লাগীয়া ধলি পৰিলা। কতোক্ষণ মানে শ্ৰুতি পাই। বিলাপকৰন্তদ্বিজচই। অকস্মাত কেনে মাথে বজ্ৰপাট ভৈলা।. হা হৰি হৰি প্ৰভোদেৱ তুমি বিনে গুৰু নাহি কেৱ। জাহাৰ চৰণ জগতে বাঞ্চনা কৰে। কেনে কৈমু আমী মহা পাপ। কোন জন্মে পাইমু চণ্ডপাপ। গুৰুবধি বুলি ঘোষিবেক নিৰন্তৰে॥ গঙ্গাদী তিৰ্থত স্নান কৰি। সমস্ত ধৰ্ম্মকে আছু ধৰি। সবে নষ্ট আবে ত্ৰৈলোক জানু নিশ্চয়। পিতামহ মাতামহ বংশ। সবাৰো নৰকে হৈবো বাস। গুৰুদ্ৰোহি হেন আমাসাৰ শাস্তি নাই॥ পূৰ্ণচন্দ্ৰ সম মুখ আতী। জলস্থে নাসীকা কৰে কান্তি। লম্বিত শ্ৰবণ দেখয়ে আতী ৰঞ্জিত। কুন্দ কৰি সম দন্তপাটী। গৃবা বৈক স্থলে কৰে কান্তি। তুলসীৰ মালা হৃদয়ে অতি শোভিত॥ গুলম্বিত বাহু যাম আতী॥ শোভে তাতে কৰাঙ্গুলী পান্তী। নখচন্দ্ৰ চয় যেহেন অৰুণোদয়। গৌৰবৰ্ণ তনু দিব্যৰূপ. দৰশনে হৰে তিনী তাপ। সৰোৰুহসমপদ দুই প্ৰকাশয়। যেহি ৰূপ ধৰি ভক্তজনে মৃত্যুক তৰয় অন্যক্ষণে। কিমু মণ্ডভাগী হেনয় গুৰু বধিমু। কোটী জন্মে পুণ্য কৰি কত জন্ম লভিমুহ ব্ৰাহ্মণত। নানা শাস্ত্ৰ সব কিসক আমী পঢ়িমু। কোন কৰ্ম্ম কৰু হৰি হৰি। কিসক আছোহ প্ৰাণ ধৰি। হৰি হৰি বিধি আমাৰ কি গতি হৈলা। কিমু বিধি নিদাৰুণ ভৈলা। হেন সে আমাক বুদ্ধি দিলা। আমাৰ কুজন্ম জগতে

ভৰি ৰহিল। কুন জনে দিয়া বিষ খাওঁ। প্ৰভুৰ লগত মৰি যাউ, যমপুৰে জাই নেৰাইবো ইহান শোক। বেদ আদী গীতা ভাগবত। সমস্ত শাস্ত্ৰৰ জানী তন্ত্ৰ। অধাপী অজ্ঞান ভৈলোহ আমী কিংশক। এহি বুলী কান্দী দ্বীজ গণে। হিয়ে মুষ্টি হানে ঘনে ঘনে। ধৰণীত পৰি পাৰয় দিঘ্ৰ নিশ্বাস। হেন দেখি পাছে ভক্তগণে। ব্ৰাহ্মণক চাই গৰ্জ্জে ঘনে ঘনে। কোন শত্ৰু আসী গুৰুক কৰিলা নাশ॥ কটো যাই আছে ডাঙ্গ ধৰি, আসা ব্ৰাহ্মণক মাৰ বেৰি ধৰি। তিৰস্কাৰ বাক্যে কৰিবে গৈলা প্ৰহাৰ। শুনৰে অধম দ্বিজচয়। ব্ৰহ্মবধ কৰিলিহি তয়। যমদূতে ধৰি ভুঞ্জাইবে ধৰি নিকাৰ। লোক নিন্দা শুনি দ্বিজগণে। নিন্দে আপনাক মনে মনে। হৰি হৰি কিমু কৈম্ন পাপ ভয়ঙ্কৰ॥ আমী পাটকীৰ প্ৰায়শ্চিত্ত। বেদে নিবিহীলা পৃথিবীত। এহি বলী পৰি চেতন হৰিলা গাৱ।॥ "চবী"—এহিমতে দ্বিজগণ, ভৈলা যেবে অচেতন ধৰণীত পৰি দুঃখ মনে। ব্ৰাহ্মণৰ দুঃখ দেখি, আকুল ভৈলন্ত প্ৰভো, উঠিয়া বসীলা তেতিক্ষণে; গৌৰতনু কৰে কান্তী, যেন বিজুলীৰ পান্তী, দ্বিজগণে সাক্ষাতে দেখিলা। কৰযোৰ কৰি পাছে। পৰি চৰণৰ কাছে, স্তুতি কৰিবাক আৰম্ভিলা। মুক্তাৱলীচ্ছন্দ॥ নমো নমো হৰি দেৱ, তুমি জগজিৱ, বিনে নাহি কেৱ, পায়ে কৰুদেৱ, নমো নমো নমো অজিত নন্দন দেৱ। কেমু আমী মন্দ কৰিলোহ চণ্ড, কৰা প্ৰভো দণ্ড, পাপ হৌক খণ্ড, আৰ যেন আমী, সম্ভৱ নকৰু দোষ। নানা শাস্ত্ৰ পঢ়ি, আতী গৰ্ব্ব কৰি, পৰীক্ষাক ধৰি, গুৰুক বিচাৰি,—ভ্ৰমিয়া ফুৰিমু কিমু আমী দুৰাচাৰ। যেহেন কন্দৰ্প, কৃষ্ণৰ ৰূপক, ধৰিয়া ৰূপক, মোহিলা অনেক। কৃষ্ণক দেখিয়া, সবে ভৈলা যেন দুৰ॥ সেহিমতে হৰি, গৰ্ব্ব দুৰ কৰি, মায়াক নিবাৰি ৰাখিলা উদ্ধাৰি, নমো নমো দেৱ অজৰ নন্দন সীদ্ধু। তুয়া-পদ ধুলী, লপ শিৰে তুলী, এভু দাস বলি, লয়ো বনমালী, তুয়া পদতলে ৰাখিয়ো দেৱ ইবাৰ। দিয়ো উপদেশ, সংসাৰৰ ক্লেশ গুচোক নিশেষ, তুমীসী বিশেষ, দিয়ো জ্ঞান প্ৰভো সংসাৰ যেন এড়াও। এহিমপ্ৰে স্তুতী কৰিয়া মিনতী মাগীয়া ভকতি আছা কমতী দেখি দেৱ হৰি, তুষ্ট ভৈলা অতিশয়॥ পদ॥ মেঘৰ গম্ভীৰ হেন বুলিলা বচন। হেৱা তুষ্ট ভৈলু খেদ এড়া দ্বিজগণ তোৰাৰ প্ৰতিজ্ঞা আমী কৰিমু পালন। এভু যথা ইচ্ছা তথা কৰিয়ো গমন।



ব্ৰাহ্মণ বদতী তুমী বিনে আন নাই। আমী অজ্ঞানিক জ্ঞান দিয়োক গোসাই॥ প্ৰভো বলে জায়ো অজ্ঞ মহন্তৰ ঠাই। হেন শুনি বিমনে চলিলা দ্বিজচয়। ফিৰি আইলা আঠজন তাক নিবাৰিলা। পুষ্পৰূপী চাৰিজন উলটী আসিলা॥ চাৰিয়োক দিলন্ত পাছে জ্ঞান উপদেশ। ভকতীৰ তত্ত্ব সব কহিলা নিশেষ॥ জ্ঞান পাইয়া চাৰি দ্বিজে আনন্দ লভিলা।। ভাগবত ধৰ্ম্ম পাছে প্ৰভোত পুচিলা॥ হৰিদেৱে বলে শুনা সবে দ্বিজগণ। ভাগবত ধৰ্ম্ম কহ হয়ো সাৱধান॥ স্নান কৰি মাধৱক কৰিবা সেৱনী। পঞ্চ উপচাৰে পুজিবাহা মন্ত্ৰ বলী॥ তাত পাছে চৰণে কৰিবা স্তুতীনতী। শীৰে নমস্কাৰ কৰি লভিবা মুকুতি॥ বিষ্টুৰ নিৰ্ম্মাল্য লৈয়া প্ৰসাদ ভুঞ্জিবা। আনন্দে বহিয়া হৰি কীৰ্ত্তন কৰিবা॥ নকৰিবা প্ৰাণী হিংসা কৈলু সাৰেসাৰ। প্ৰাণী হিংসা ব্যতিৰেকে পাপ নাই আৰ॥ কৰিবাহা বেদৰ বিহিত যত যত। মহন্তক নিন্দা নকৰিবা কদাচিত॥ শ্ৰৱণ কীৰ্ত্তন কৰি থাকিবা সদায়। ভাগৱত ধৰ্ম্মৰ এহিসে অভিপ্ৰায়॥ এহিমতে তাহাক কহিলা মহাজ্ঞান। বিদায় কৰিলা পাছে অজৰ নন্দন॥ শুনিয়োক যদুমনী আমাৰ বচন। উজানক লাগি তুমি চলিয়ো এখন। এহিবুলি প্ৰদীপ ধৰি তান হাতে দিলা। পূৰ্ব্বদিশে জায়ো বলী আদেশ কৰিলা॥ উভাক লগীয়া নাৰাণ দেৱক পঠাইলা। প্ৰদীপ হাতে দিয়া তাক যেখি যে পাতিলা॥ পাছে হৰিচৰণক আদেশ কৰিলা। জাগৰাক জায়ো বলি বাটী হাতে দিলা॥ জগন্নাথ দ্বিজৰ দেখিয়া প্ৰেম ভাৱ। কন্যাক দিৱক লাগি কৰিলা নিশ্চয়॥ উদাৰ বদতী দ্বীজ শুনা ধানেশ্বৰ। পূৰ্ব্বৰ বৃত্তান্ত কহ আগত তোমাৰ; এক দিনা নাৰায়ণ বৈকুণ্ঠ ভোৱনে। পাৰিসদ সমে আছা আনন্দিত মনে॥ সেহিবেলা ইন্দ্ৰৰ নন্দনী ৰূপৱতী। পীতৃ সঙ্গে বৈকুণ্ঠক গৈলেক সম্প্ৰতি॥ দণ্ডৱত হয়া পাছে প্ৰণাম কৰিলা। কৃতাঞ্জুলী হয়া নানা স্তুতীনতী কৈলা॥ কৃষ্ণৰ দক্ষিণে জয়দণ্ড পৰিসৰ। চামৰ ধৰিয়া আছা হয়া নিৰবদ॥ কৃষ্ণৰ সমান ৰূপ বদন উজ্জ্বল। দেখি শুপ্ৰভাৰ মন ভৈলেক বিকল॥ কৃষ্ণক প্ৰণামী ইন্দ্ৰদেৱ ভৈলা বাজ। কন্যা সমে চলি গৈলা আপনাৰ ৰাজ॥ শুপ্ৰভা শুন্দৰি ভৈলা মদনে আকুলা। ৰাত্ৰীদিনে কৃষ্ণক চিন্তন্ট বড় বালা॥ কন্যাৰ স্তুতীত তুষ্ট ভৈলা নাৰায়ণ। গোকুৰৰ কক্ষে চৰি দিলা দৰশন॥ দেখি শুপ্ৰভাৰ আতী মহানন্দ ভৈলা। প্ৰণাম কৰিয়া নানা স্তুতীনতী কৈলা॥ কৃষ্ণে বলে আমাক চিন্তিলা কোনো কাজে। কন্যা বলে শুনা প্ৰভু জগতৰে ৰাজে॥ তজু পৰিষদ জয়দণ্ড ৰূপৱন্ত। মোৰ স্বামী হৌক বৰ দিয়ো ভগৱন্ত। শুনি নাৰায়ণে পাছে বুলিলা বচন। পৰ জন্মে পাইবা তুমী এড়া চিন্তা মন॥ এহি বড় দিয়া হৰি নিজ স্থানে গৈলা। হৰিৰ নন্দীনী হয়া শুপ্ৰভা জন্মিলা॥ বনমালা নাম তান জগতে প্ৰকাত। সিকাৰণে বহু দিন আচন্ত তথাত॥ নন্দে যদুমনী হৰি চৰনে শুনন্দ। নাৰায়ণে ভৈলা পাৰিষদ পুষ্প

দণ্ড॥ জয়দণ্ডে জগৰ্ন্নাথ জানীবা সম্প্ৰতি॥ এতেকেশে বিহা দিবে তান ভৈলা মতী॥ মহা মহোৎসৱ কৰি কন্যা বিহা দিলা॥ নগৰিয়া লোকৰ যেন আনন্দ মিলীলা॥ বনিয়া কুছিক লাগী তাঙ্ক পঠাই নিলা॥ প্ৰেম ভাবে প্ৰভোৰ চৰণে প্ৰণামীলা॥ তাত পাছে বনমালা প্ৰভোৰ দুহিতা। পীতাৰ মাতাৰ পায়ে কৰিলা প্ৰণিতা। নয়ণৰ নিৰ ধাৰা ধাৰে বহি জাই। দেখি আই তিলত্তমা শোকে মুৰ্চ্ছা যাই॥ প্ৰভোৰ উদ্‌বিগ্ন মন ভৈলা সীবেলাত॥ ধৈৰ্য্যক আশ্ৰয় কৰি ৰহিলা তথাত। পাছে বন মালা আই চৰিয়া ৰথত॥ স্বামী সমে প্ৰবেশীলা বনিয়া কুছিত॥ হৰি যে গুৰুৰ বাক্য ধৰিয়া মনত। লোকৰ হিতক চিন্তি ৰহিলা তথাত। হৰি যে চৰণ যদুমনী নাৰায়ণ॥ গুৰু আজ্ঞা ধৰি তিনী কৰিলা পয়াণ॥ তিনী জনে ধৰ্ম্মক প্ৰবৰ্ত্তাইলা তিনী থানে। নিৰ্গুণক চিন্তিলা থাকিলা একমনে॥ উদাৰ বদতী জন্ম শুনা দ্বিজবড়। শান্তি যে পুৰত জন্ম নাৰেন দেৱৰ॥ যদুমনী উপজিলা সোমাৰ দেশত। হৰিচৰণ দেৱক যে জানিবা হাজত॥ চেঙ্গীত আছি লেক জগৰ্নাথ দ্বীজ। প্ৰভোৰ লগত চাৰি পাৰিষদ নিজ॥ এতেকে ধৰ্ম্মৰ পন্থ দেখাইলা তাহাক। চাৰি ঠানে সত্ৰ পাটীবাক আজ্ঞা দিলা তাসবাক। শুনা সভাসদ জত সাক্ষাতে অমৃত। গুৰুৰ চৰিত্ৰ ইতো পাতক খণ্ডিত। কলীৰ লোকক নিস্তাৰস্থা আন নাই। একে কৃষ্ণনাম বস্ত তাহাতে বিলাই। হেন জানী মুখে নেৰিবাহা ৰাম নাম। কহে দ্বীজ ধনেশ্বৰে বোলা ৰাম ৰাম॥ দোলুড়ি।' অনন্তৰে আশী সাত যে বিংশতী প্ৰভোৰ বৎসৰ ভৈলা। ভকতিৰ পথ প্ৰচাৰিয়া প্ৰভো, লোকক উদ্ধাৰ কৈলা॥ হেন সময়ত, প্ৰভোৰ আগত, আকাশী বচন ভৈলা। শুনিদেৱ হৰি, বৈকুণ্ঠ থানক, জাইবে লাগী মন হৈলা॥ ইঙ্গিতে জানিলা, উদাৰ মহন্তে, প্ৰভোৰ পাছে পয়াণ। চৰণত ধৰি, কান্দিবে লাগীলা, শোকে যেন ফুটে প্ৰাণ॥ হে প্ৰাণ হৰি, কেনে মোক চাৰি, যাহা প্ৰভো কৈক লাগী। এবেসে জানীলো, তোমাৰ চৰণে, বঞ্চিত ভৈলু অভাগী॥ ইহেন চৰণ সেৱিবাক পাইলো—কটো জন্মে তপসাই। হেন তুমী স্বামী, যাহা মোক ত্যজি, কি ভৈলা মোৰ বিলাই॥ গোবিন্দক আদী, ভকত সকলে, কান্দিবে লাগীলা আতী। ভকতৰ দুঃখ, দেখি দেৱ হৰি, সবাকো বলিলা মাতী॥ কালৰ অধিন, মনুষ্য শৰিৰ, স্বতন্তৰি কেহ নাই। হেন জানী সবে, শোক পৰিহৰি, আমাক চিন্তা সদাই॥ পূৰ্ব্বে আছা পাইয়া, জিতো মহাজ্ঞান, তাক জপা দৃঢ় কৰি। এতেকে ভকতি, লভিবা সম্প্ৰতি, কৈলু জানা নিষ্ঠ কৰি॥ এহিমতে হৰি, অমৃত বচনে, কৰিলা চিত্ত সন্তোষ। হেন অন্ধকাৰ, প্ৰসন্ন চন্দ্ৰৰ, ৰশ্মিয়ে কৰিলা নাস॥ হেন বাৰ্ত্তা পাইয়া, দ্বিজ জগৰ্নাথে, আইলা আৰ্থ বেৰ্থ কৰি। শোকাকুল হয়া কান্দিলা বিষ্টৰ, দুখানি চৰণে পৰি॥ হৰি



দেৱ বলে, শুনা জগৰ্নাথ, কলু মই স্বৰূপত। মোৰপুত্ৰ অন্তে, ধৰ্ম্ম কৰ্ম্ম সব তোমাত থাপীমু, তুমীশী প্ৰিয় ভকত॥ লোকৰ হিতক চিন্তিবা সদায়, স্বৰূপ কৈলু তোমাত। এহি বলি হৰি, কৰ্ণীৰগলমালা, আনী দিলা তাহান হাতত॥ সেইবেলা পাছে ভকত সকলে, দিলেক জয় জোকাৰ। নানাবাদ্য বাইলা, মৃদঙ্গ দুন্দুভী, সবদ ভৈলা অপাৰ॥ তাত অনন্তৰে, বহৰিবহন্তে আইলা বাড়জণ তাতী। গুৰুৰচৰণে, পৰি নম্ৰভাৱে, কান্দিলা সোকত আতী॥ হৰিদেৱ বলে, শুনা বাড়জন, মোহৰ স্বৰূপ বাক। কালৰ অধিন, নৰতনুদেহ। জানী এড়া সোক জাক॥ জগৰ্নাথ দ্বিজ, আমাৰ সমাণ, তাঙ্ক সেৱি পাইবা গতী আজ্ঞা ধৰি ভৈলা, বহৰিসত্ৰৰ, জগৰ্নাথ অধিকাৰী। আত অনন্তৰে, ভৱনেশ্বৰিক আনীলেক প্ৰাণহৰি॥ মাথে মালা দিয়া, মানেৰি থাণত, থাপীয়া থৈলন্ত হৰি॥ পদ॥ আত পৰ জেন ভৈলা শুনা সৰ্ব্বজন। সত্ৰ যে মহন্ত সবে আইলা তেতিক্ষণ॥ প্ৰভোক প্ৰনামী সবে কাৰ্য্য আলোচিলা। তুলসীৰ তলে কুশসৰ্য্যাক থাপিলা। তাতে গৈয়া দেৱহৰি বসীলন্ত জানী। আৱৰি বসীলা তাঙ্ক জত বেদজ্ঞানী॥ প্ৰভোৰ অদেশে সবে কিৰ্ত্তণ কৰিলা। জয়ধ্বনী কৰি সবে উৎসৱ ঘোষিলা॥ তাতপাছে যোগাসনে বসী দেৱহৰি। আপনাৰ আত্মাক চিন্তিবে লৈলা হৰি॥ সেই বেলা প্ৰভোৰ মুৰতী বিপৰিত। কোটী সূৰ্য্য সম জলে দেখিতে বিস্মিত॥ হেনৰূপ ধৰি হৰি আছা বিস্ময়মাণ। সীত অসথবতলে যেন নাৰায়ণ॥ সেই বেলা মিলিলন্ত তিথি অমাবাসী। বৈকুণ্ঠৰপৰা আইলা বিমাণ প্ৰকাশী॥ পাৰিসদ সমে আসী আকাশে থাকিলা। নানা মহোৎসৱ বাদ্য বজাইবে লাগীলা॥ হেন দেখি প্ৰভো পাছে ব্ৰহ্মক ধিয়াই। উৰ্দ্ধক খেপীয়া বাউ তেজি নবকাই॥ বিমানে চৰিয়া পাছে ভৈলা দিব্যৰূপ। তান ৰূপ দেখি কোটী সূৰ্য্য ভৈলা চুপ॥ শীৰত কিৰীতী জলে অলকাপঙ্কতী। কমলৰ পাসী জেন নয়ণৰ কান্তি॥ শ্ৰৱনে কুণ্ডল জলে মুখে অল্প হাস। কণ্ঠত কৌস্তভ বনমালাৰ প্ৰকাশ॥ হিয়াত জলন্তে আছে শ্ৰীবৎসৰ পান্তী। পীতবস্ত্ৰে সমে শ্যাম তনু কৰে কান্তী॥ প্ৰলম্বিত বাহু উৰু জলে কৰিকৰ। প্ৰকাশয় জানু জঙ্ঘা আতী মনোহৰ॥ চৰণপঙ্কজ যেণ নৱ পদ্ম পাসী। জাক পাইলে ভকত সবে থাকন্ত উপাসী॥ হেনয় অদ্ভুত মূৰ্ত্তি ধৰি নাৰায়ণ। বৈকুণ্ঠক লাগী প্ৰভো কৰিলা গমন॥ বিদ্যুৎ সঞ্চাৰে হৰি বৈকুণ্ঠক গৈলা। দেখিয়া সবাৰ মনে বিস্ময় মিলীলা॥ গুৰুৰ বিয়োগ শোকে সবাকো ব্যাপীলা। সলোতক হয়া গুণ বৰ্ণাই কান্দিলা॥ তাত পাছে দ্বিজ জগৰ্নাথ মহামতী। চৌদলোট প্ৰভোক তুলীলা শীঘ্ৰ গতী॥ দেখি তিলত্তমা স্বামীৰ মৰণ। অনুগামী জাইবাক তাহান ভৈলা মন॥ বিধিয়তে সাজিয়া চলিলা যোগাসয়। দেখিয়া সবাৰো মনে পৰম বিস্ময়॥ পুৰোহিত বিধিয়তে চীতাক নিৰ্ম্মিলা। দেখি জগৰ্নাথে মুখাগ্নী কৰিলা॥ ঘৃত ধালী চিতাত যে লগাইলা অগনী। এক

নিমিষেতে ভস্ম ভৈলা দুয়ো প্ৰাণী॥ তাত পাছে দশ পীণ্ড দিলা মহামতী। দানে মানে ব্ৰাহ্মণক তুষীলা সম্প্ৰতি॥ ব্ৰাহ্মণক ভকত সবাকো কৰাইলা ভোজন। গুৰু আজ্ঞা শীৰে ধৰী গৈলা নিজ থান॥ উদাৰৰ মুখে শুনি বিয়োগ গুৰুৰ। আতি শোকাকুল ভৈলা দ্বিজ ধানেশ্বৰ॥ গুৰু তৃণ লতা জত দেখয় গুৰুময়। দেখিয়া উদাৰ ভৈলা পৰম বিস্ময়॥ তাত পাছে কান্দিবে লাগীলা গুণ গাই। হৰি হৰি প্ৰভো কিমু কৰিলা বিলাই॥ নপাইলো লইবাক তুয়া চৰণৰ ধুলী। বঞ্চিত ভৈলহু আৰে মৰিলো সমুলী॥ এহিমতে গুণ গাইয়া কান্দিলা বিস্তৰ। নকহিলু পদ জনা বাহুল্যক ডৰ॥ দেখি উদাৰৰ মন সন্তোষ্ট ভৈলা। মধুৰ বচনে তাঙ্ক বুলিবাক লইলা॥ এবিয়োক ধানেশ্বৰ শোক দুঃখ জত। মহন্ত জনৰ শোক মুহিকে উচিত॥ জিতো পূৰ্ণ ব্ৰহ্ম হৰি নৰ ৰূপধৰি। পৃথিবীৰ লোকক তাৰিলা কৃপা কৰি॥ তাঙ্ক গুৰু পাইলো আমী এড়া দুঃখ শোক। তান ৰূপ চিন্তি সদা পাইবা সেহি লোক॥ হেন শুনী ধানেশ্বৰ উঠিয়া বসীলা। উদাৰৰ পায়ে পৰি নমস্কাৰ কৰিলা॥ বলে তুমী কিমু কৃপা কৰিলা আমাক। গুৰুৰ চৰিত্ৰ কহি শুণাইলা পাটক॥ তোমাৰ সঙ্গক পাই কৃত কৃত ভৈলু। এবেসে জানীলো মোৰ সংসাৰ তৰিমু॥ কৃপাৰ সাগৰ কৃপা কৰা এক বিন্দু। দাস হয়া থাকো যেন তুয়া পায় বন্ধু॥ মৃত্যু সময়ত মুখে দিয়া তুয়া নাম। এক চিত্তে নিৰন্তৰে বোলা ৰাম ৰাম॥

* আমি অনুৰুদ্ধ হৈ হৰিদেৱৰ জীৱনী বাঁহীত ছপা কৰিলোঁ। এতিয়া এই জীৱনীত এনে অনেক কথা আছে, যিবোৰ দামোদৰীয়াসকলৰ প্ৰকাশিত "প্ৰকৃত" কথাবোৰৰ একেবাৰেই ওলোটা পিনে গৈছে। দামোদৰীয়া হৰিদেৱী দুই পন্থ বামুণীয়া। দুই পন্থৰ দুই জন প্ৰবৰ্ত্তক পূৰ্ণব্ৰহ্ম শ্ৰীকৃষ্ণৰ অৱতাৰ বুলি নিজ সকীয় ৰচনাত প্ৰতিপাদিত। এতিয়া দুই ঘৰৰ মাজৰ ভয়ানক অমিল আৰু সেওঁৰ কথাবিলাক প্ৰথমতে দুই ঘৰে মিলাই যেতিয়া ভাঙি লৈ আমাক দেখুৱাওক; তাৰ পিচত দুই ঘৰে সুকীয়া সুকীয়াকৈ শঙ্কৰ মাধৱৰ বিষয়ে কোৱা কথাবোৰৰ বিচাৰ আৰু আমি তেওঁলোকেৰে সৈতে কৰিবলৈ মাত লৈছোঁ। নিশ্চয় এইবাৰ তেওঁলোকে historically অৰ্থাৎ বুৰঞ্জী ইতিহাস আদিৰ প্ৰমাণেৰে তেওঁলোকৰ কথা ডাঠ কৰিব, বুৰঞ্জী অনভিজ্ঞ আমাৰ নিচিনাকৈ "বুঢ়ী আইৰ সাধুৰে" নকৰে। আমি বাটলৈ চাই আশা পালি থলোঁ। সম্পাদক।